সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩২ বছৰৰ এক অবিৰত যাত্ৰা...

গুৱাহাটীৰ পৰা প্ৰকাশিত নিভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved

Postal Redg. No. GH- 098/2012-17

৩২ বছৰ, ১২ সংখ্যা, ৭ চ'ত, ৰবিবাৰ,১৪৩২ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪

RNI No.53883/94. GHY- 781025. Vol. 32: Issue No. 12 Date of Publication- 22 March 2026 Rs. 10.00/-

## কংগ্ৰেছত লাহে লাহে মই উপেক্ষিত হ'বলৈ ধৰিলোঁঃ প্ৰদ্যুৎ বৰদলৈ




ৰঙিলী বাৰ্ত্তাসেৱা- শেহতীয়াকৈ কংগ্ৰেছ নেতৃত্বৰ বিৰুদ্ধে ক্ষোভ উজাৰি পদত্যাগ কৰা প্ৰদ্যুৎ বৰদলৈয়ে শনিবাৰে গুৱাহাটীত আত্মপক্ষ সমৰ্থন কৰি মহানগৰীৰ এখন হোটেলত এক সংবাদমেল সম্বোধন কৰে। সংবাদমেল সম্বোধন কৰি কি পৰিস্থিতিত কংগ্ৰেছ ত্যাগ কৰিব লগা হ'ল তাৰ সবিশেষ বৰ্ণনা কৰিলে। নেতাগৰাকীয়ে সংবাদ মেলত কয়- ধুমুহাৰ গতিত জীৱনে নতুন গতি লৈছে। বহুতো মনে সজা কথা ওলাই আছে। দলীয় অনুশাসন ভংগ কৰি মই কংগ্ৰেছৰ অভ্যন্তৰীণ কথা বাহিৰত কোৱা নাছিলোঁ। বহুত কাহিনী আছে মই এতিয়া বিলাপ কৰিব বিচৰা নাই। বৰদলৈয়ে লগতে কয় যে কংগ্ৰেছ কিয় এৰিলো অসমৰ ৰাইজে জানিব লাগিব সেই বাবে আজি কথাখিনি ক'ব বিচাৰিছো। ১৬ বছৰ বয়সত মই কটন কলেজত পঢ়ি থকাৰ সময়তে এনএছইউআইত যোগদান কৰিছিলো। কংগ্ৰেছৰ কাৰণে ( দুই পৃষ্ঠাত চাওক)

## বিহালীত নিৰ্বাচনী প্ৰচাৰ চলাব প্ৰধানমন্ত্ৰী মোদীয়ে



ৰঙিলী বাৰ্ত্তাসেৱা- সমাগত বিধানসভা নিৰ্বাচনৰ বাবে অধিক তৎপৰ হৈ পৰিছে বিজেপি। অসমত নিৰ্বাচনী ৰণশিঙা বজোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা এপ্ৰিল মাহৰ প্ৰথম সপ্তাহত বিহালী বিহালীৰ বৰালীমাৰা পথাৰত সম্বোধন কৰিব এখন বিশাল জনসভা। এই জনসভাৰ প্ৰস্তুতি আৰম্ভ কৰিছে ৰাজ্যিক বিজেপিয়ে। প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰধানতঃ উত্তৰ অসমৰ ৫ সমষ্টি ক্ৰমে বিহালী, নদুৱাৰ, বিশ্বনাথ, গহপুৰ আৰু বিহপুৰীয়াৰ প্ৰাৰ্থীসকলৰ হৈ বৰালিমৰা পথাৰত অনুষ্ঠিতব্য এই জনসভাৰ বাবে প্ৰচাৰ চলাব। জনসভাখনত প্ৰস্তুতিৰ অংশ হিচাপে বৰালিমৰাত উপস্থিত হয় শোণিতপুৰ লোকসভা সমষ্টিৰ সাংসদ ৰঞ্জিত দত্ত, গহপুৰৰ প্ৰাৰ্থী (দহ পৃষ্ঠাত চাওক)

## সোমবাৰে গুৱাহাটীৰ ৪ সমষ্টিৰ এনডিএৰ প্ৰাৰ্থীয়ে দাখিল কৰিব মনোনয়ন




ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটীৰ ৫টা বিধানসভা সমষ্টি দখলৰ বাবে বিশেষ ৰণকৌশল প্ৰস্তুত বিজেপি মিত্ৰজোঁটৰ। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ জালুকবাৰী সমষ্টিৰ বিপৰীতে আন চাৰি সমষ্টি ক্ৰমে মধ্য গুৱাহাটী, নিউ গুৱাহাটী, দিছপুৰ ডিমৰীয়াত বিজেপি মিত্ৰজোঁটে প্ৰক্ষেপ কৰিছে নতুন মুখক। গুৱাহাটীৰ মুখ্যতঃ এই চাৰিটা সমষ্টিত নতুন প্ৰাৰ্থীয়ে কিদৰে ভোটাৰ ৰাইজৰ ওচৰলৈ যাব, তাক লৈ হেঙেৰাবাৰীস্থিত (দহ পৃষ্ঠাত চাওক)

## বিজেপি ত্যাগ জয়ন্ত দাসৰ



ৰঙিলী বাৰ্ত্তাসেৱা-অৱশেষত টিকট নাপাই দল ত্যাগ কৰিলে বিজেপিৰ জ্যেষ্ঠ নেতা তথা দিছপুৰ সমষ্টিৰ বিজেপিৰ টিকট প্ৰত্যাশী জয়ন্ত কুমাৰ দাসে । দল ত্যাগ কৰি জয়ন্ত কুমাৰ দাসে দিছপুৰ সমষ্টিৰ পৰা নিৰ্দলীয় প্ৰাৰ্থীৰূপে অৱতীৰ্ণ হোৱাৰ সিদ্ধান্তগ্ৰহণ কৰিছে । জয়ন্ত কুমাৰ দাসে বিজেপি দলৰ পৰা সকলো বিষয়বাব আৰু প্ৰাথমিক সদস্যৰ পদৰ পৰা পদত্যাগ কৰি দলৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়ালৈ নিজৰ পদত্যাগ পত্ৰ প্ৰেৰণ কৰে । বৃহস্পতিবাৰে বিজেপিৰ প্ৰাৰ্থী তালিকা প্ৰকাশৰ পাছতে প্ৰাৰ্থিত্ব নাপাই বিজেপি দল আৰু দলীয় নেতৃত্বৰ বিৰুদ্ধে ক্ষোভ উজাৰি বহু বিস্ফোৰক মন্তব্য কৰিছিল জয়ন্ত কুমাৰ দাসে । আনকি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাকো আক্ৰমণৰ লক্ষ্য কৰি লৈছিল । ইফালে জয়ন্ত কুমাৰ দাসৰ বক্তব্যত দুখ অনুভৱ কৰা বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব ( তিনিপৃষ্ঠাত চাওক)

## গুৱাহাটী বিশ্ববিদ্যালয়ৰ চৌহদৰ পুখুৰীত মৃতদেহ উদ্ধাৰ

ৰঙিলী বাৰ্ত্তাসেৱা- মহানগৰীৰ জালুকবাৰীত এটা অচিনাক্ত মৃতদেহ উদ্ধাৰ হয়। জালুকবাৰীৰ শৰাইঘাট কলনীত উদ্ধাৰ হৈ মৃতদেহটো। উল্লেখ্য যে সাত মাইলৰ পৰা জালুকবাৰী অভিমুখী পথছোৱাৰ সোঁফালে থকা গুৱাহাটী বিশ্ববিদ্যালয়ৰ চৌহদৰ ভিতৰৰ পুখুৰীত এটা মৃতদেহ ওপঙি থকা প্ৰত্যক্ষ হয়। এই সন্দৰ্ভত স্থানীয় লোকে জালুকবাৰী আৰক্ষীক অৱগত কৰাৰ লগে লগে জালুকবাৰী আৰক্ষী আৰু এছডিআৰএফ বাহিনী ঘটনাস্থলীত উপস্থিত হয়। এছডিআৰএফ বাহিনীয়ে অভিযান চলাই কিছু সময় পিছত এটা পুৰুষৰ মৃতদেহ উদ্ধাৰ কৰিবলৈ সক্ষম হয়। অৱশ্যে বৰ্তমানলৈ জানিব পৰা হোৱা নাই মৃতদেহটোৰ পৰিচয়। জালুকবাৰী আৰক্ষীয়ে প্ৰাথমিক তদন্ত অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে। আনহাতে, জালুকবাৰী আৰক্ষীয়ে মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে বুলি জানিব পৰা গৈছে।

## জাগীৰোডত কংগ্ৰেছকৰ্মীৰ বিজেপিত যোগদান



ৰঙিলী বাৰ্ত্তাসেৱা- জাগীৰোড সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী পীযূষ হাজৰিকাৰ উপস্থিতিত অৰ্ধ শতাধিক কংগ্ৰেছ কৰ্মীয়ে বিজেপিত যোগদান কৰে। মন্ত্ৰী হাজৰিকাই মনোনয়ন দাখিলৰ পিছতে জাগীৰোডত আৰম্ভ কৰিছে বিশেষ নিৰ্বাচনী তৎপৰতা। বিজেপি দলৰ জাগীৰোড বিধানসভা সমষ্টিৰ মুখ্য নিৰ্বাচনী কাৰ্যালয় মুকলি কৰে পীযূষ হাজৰিকাই। জাগীৰোডৰ জোনবিলস্থিত বিজেপি জাগীভকতগাঁও মণ্ডল কাৰ্যালয়ত স্থাপন কৰা মুখ্য কাৰ্যালয় মুকলিৰ পূৰ্বে অগপ আৰু বিজেপিৰ ( তিনিপৃষ্ঠাত চাওক)

# তিতাবৰত গৌৰৱ গগৈ গ’ বেক ধ্বনি কংগ্ৰেছৰ



ৰঙিলী বাৰ্ত্তাসেৱা- তিতাবৰ বিধানসভা সমষ্টিত কংগ্ৰেছৰ ভিতৰত এতিয়া এক প্ৰকাৰ উত্তেজনাপূৰ্ণ পৰিস্থিতি সৃষ্টি হৈছে। তিনিবাৰৰ মুখ্যমন্ত্ৰী তৰুণ গগৈয়ে বিধানসভাত প্ৰতিনিধিত্ব কৰা তিতাবৰ সমষ্টি উত্তাল হৈ পৰিল গৌৰৱ গগৈ গ’ বেক ধ্বনিত। বিধায়ক ভাস্কৰজ্যোতি বৰুৱাৰ টিকট কৰ্তনত ক্ষুব্ধ হৈ একাংশ কংগ্ৰেছীয়ে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। এই ঘটনাই তিতাবৰৰ ৰাজনৈতিক পৰিৱেশত নতুন চাঞ্চল্যৰ সৃষ্টি কৰিছে। বিধায়ক ভাস্কৰজ্যোতি বৰুৱাৰ সমৰ্থক কংগ্ৰেছীসকলে একমুখে কয় যে তিতাবৰত ভাস্কৰজ্যোতি বৰুৱাৰ প্ৰাৰ্থিত্ব কৰ্তন কৰি প্ৰাণ কুৰ্মীক প্ৰক্ষেপ কৰাটো আমাৰ বাবে অতি দুখবৰ। ইয়াৰ দ্বাৰা প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে বিধায়ক ভাস্কৰজ্যোতি বৰুৱাক অসন্মান কৰিছে। এইটো তিতাবৰৰ জনসাধাৰণে কেতিয়াও গ্ৰহণ কৰিব নোৱাৰে। প্ৰকৃততে এনে সিদ্ধান্তই বিজেপি প্ৰাৰ্থী ধীৰাজ গোৱালাকহে বিজয়ী কৰাত সহায়ক হ’ব। ক্ষুব্ধ কংগ্ৰেছীসকলে প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈক সকীয়াই দিয়ে। তেওঁলোকৰ মতে, প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে সিদ্ধান্ত সলনি নকৰিলে ইয়াৰ ফল ভোগাৰ বাবে এতিয়াৰে পৰা সাজু হৈ থাকিব লাগিব। দলত নিষ্ঠাৰে কাম কৰি থকা এজন বিধায়কক এইদৰে টিকট নিদিয়াটো অন্যায় বুলি ক্ষুব্ধ কংগ্ৰেছীসকলে মন্তব্য কৰে। তেওঁলোকে ‘গৌৰৱ গগৈ গ’ বেক’, ‘এই অন্যায় সহ্য নকৰোঁ’ আদি শ্লোগানেৰে তিতাবৰৰ আকাশ-বতাহ মুখৰ কৰি তোলে। প্ৰতিবাদকাৰী দলীয় কৰ্মীসকল সমবেত হয় টিকটবঞ্চিত বিধায়ক ভাস্কৰজ্যোতি বৰুৱাৰ বাসগৃহত।

# কংগ্ৰেছত লাহে লাহে মই

মোৰ ব্যক্তিত্ব গঢ়িছে। জৰুৰীকালীন অৱস্থাৰ পিছত ইন্দিৰা গান্ধীক লেই লেই চেই চেই কৰিছিল। জৰুৰীকালীন অৱস্থা উঠাই দিয়াৰ পিছত ১৯৭৮ চনত অসমলৈ আহিছিল ইন্দিৰা গান্ধী। মই তেতিয়া কটন কলেজৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক আছিলোঁ। জজ খেলপথাৰৰ সভাত মই তেওঁক গামোচা পিন্ধাইছিলোঁ। তেতিয়া মোৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ আহিছিল। সংবাদমেলত তেওঁ আৰু কয় যে ১৯৯৬ চনত মাৰ্ঘেৰিটাৰ পৰা দলে নিৰ্বাচন খেলাৰ বাবে মোক নিৰ্বাচন কৰিছিল যদিও মই তৰুণ গগৈক হাতে ভৰিয়ে ধৰি নিৰ্বাচন খেলিবলৈ দিছিলোঁ। তাৰ পিছত চাৰিবাৰকৈ মই মাৰ্ঘেৰিটাৰ পৰা নিৰ্বাচন জিকি আহিছিলোঁ। কংগ্ৰেছৰ চৰকাৰ গঠনৰ পিছত গৃহ বিভাগৰ দায়িত্ব দিছিল। পৰৱৰ্তী সময়ত শক্তি বিভাগৰ দায়িত্ব দিছিল। মই সদায় অসমৰ প্ৰগতিৰ লগতে শান্তি অনাৰ চেষ্টা চলাই আছিলোঁ, ইফালে কংগ্ৰেছ ত্যাগ সন্দৰ্ভত প্ৰদ্যুৎ বৰদলৈয়ে কয় যে কংগ্ৰেছ দলৰ সভাপতিৰ বাবে যেতিয়া আভ্যন্তৰীণ নিৰ্বাচন হৈছিল, তেতিয়া শশী থাৰুৰৰ সমৰ্থনত মই কাম কৰিছিলোঁ। পৰৱৰ্তী সময়ত মল্লিকাৰ্জুন খাৰ্গে সভাপতি হিচাপে নিৰ্বাচিত হয়। কিন্তু তাৰ পিছত উত্তৰ-পূৰ্বাঞ্চলৰ কংগ্ৰেছ কমিটাৰ তত্ত্বাৱধায়কৰ পৰা আঁতৰাই দিলে। লাহে লাহে মই দলত এলাগী হবলৈ ধৰিলোঁ। গৌৰৱ গগৈ সভাপতি হোৱাৰ সময়ত মই কৈছিলোঁ আমি সকলোৱে একেলগে কাম কৰিব লাগে, ২০২৬ চনত চৰকাৰ গঠন কৰিব লাগে। কিন্তু পিছত সকলোতে মই উপেক্ষিত হ’বলৈ ধৰিলোঁ। সকলো কথাতে সন্দেহৰ বাতাৱণ হ’বলৈ ধৰিলে। পঞ্চায়ত নিৰ্বাচনৰ সময়ত মোৰ দলৰে মানুহেই মোক আক্ৰমণ কৰিলে। এইকথা মই কেন্দ্ৰীয় নেতৃত্বক কোৱাত মোৰ কথাত কোনো গুৰুত্ব নিদিলে। কেন্দ্ৰত মই অভিযোগ দিয়াৰ পিছত ইমৰান মাছুদে মোৰ অভিযোগ মিছা, মনে সজা বুলি ক’লে। তাত উপস্থিত থকা কেন্দ্ৰীয় নেতৃত্বৰ লগতে সভাপতি গৌৰৱ গগৈয়ে মোৰ পক্ষত একো নক’লে। আছিফ নাজাৰৰ কথা মতে মোক উপেক্ষা কৰা হ’ল আৰু যাৰ বাবে মই দল ত্যাগ কৰিবলৈ বাধ্য হ’লোঁ। তেওঁ লগতে কয় যে আমি সংসদত যেতিয়া বিজেপি নেতৃত্বক লগ পাওঁ তেতিয়া মোক বহুতে নিজৰ দললে আমন্ত্ৰণ জনাই প্ৰস্তাৱ দিয়ে, সেইবোৰ নস্যাৎ কৰিছিলোঁ। এইবাৰ পদত্যাগ কৰাৰ পিছত মোৰ সৈতে শীৰ্ষ নেতৃত্বই যোগাযোগ কৰে। মই ভাবিলোঁ বিজেপিত যোগদান কৰোঁ। উচ্চ নেতৃত্বৰ ফালৰ পৰা প্ৰস্তাৱ দিলে দিছপুৰ সমষ্টিৰ পৰা নিৰ্বাচন খেলিবলৈ, মই সেই প্ৰস্তাৱ মানি ল’লোঁ। বিজেপিত যোগদান কৰা দুদিন হ’ল বিজেপি দলৰ পৰা যি উষ্ম সঁহাৰি পালোঁ, যি ধৰণে আদৰি লৈছে আৰু মোক আশ্বস্ত কৰিছে। মই বিজেপিলে যোৱাৰ পূৰ্বে কোনো চৰ্ত নাছিল। এটা কথা কৈছিলো যাতে আত্মসন্মান বজাই ৰাখি কাম কৰাৰ সুযোগ পাওঁ। তেওঁলোকে আশ্বস্ত কৰিলে মোক সেই সুযোগ দিব বুলি। বিনা দ্বিধাই ক’ব পাৰো অসমখন আগবঢ়াই নিবলৈ সুযোগ পাম। মুখ্যমন্ত্ৰী অসমখন আগবঢ়াই নিবলৈ উপযুক্ত ব্যক্তি। তেওঁৰ সহযোগী হিচাপে কাম কৰিব পোৱাটো ভাল কথা হ’ব। বৰদলৈয়ে ক্ষোভ প্ৰকাশ কৰি কয়, ২০২৪ লোকসভা নিৰ্বাচনত নগাঁও আসন খনৰ বাবে কাকূতি মিনতি কৰিব লগীয়া হৈছিল। ৩৫ বছৰৰ পিছত মই ২০১৯ চনত নগাঁও আসনখনৰ পৰা নিৰ্বাচিত হৈছিলোঁ। তাৰ পিছতো সেই আসনখন গৌৰৱ গগৈ, ৰকিবুল হুছেইনে বিচাৰিলে। কিন্তু মই হাহাকাৰ কৰিবলগীয়া হ’ল মোক তাত প্ৰাৰ্থিত্ব দিয়ক বুলি। এইটোৱে অন্তৰত এটা ডাঙৰ দুখ দিছে। তেওঁ লগতে কয়, মই ভাষাৰ নামত ধৰ্মৰ নামত ৰাজনীতি কৰা নাই। মুছলমানৰ তুষ্টিকৰণৰ কৰা নাই। সমাজৰ অৱহেলিত লোকসকলক হাতত ধৰি উত্তৰণ ঘটোৱা। বৰ অসমৰ ধাৰণা সদায় ধৰি ৰাখিব বিচাৰো। ইফালে দিছপুৰ সমষ্টিৰ কথা উল্লেখ কৰি তেওঁ কয়, জয়ন্ত দাস, অতুল বৰাই দীৰ্ঘকাল ধৰি দিছপুৰ সমষ্টিত কাম কৰি আহিছে। নিশ্চয় তেওঁলোকৰ মনত দুখ-ক্ষোভ থাকিব। মোক আসন দিয়াত তেওঁলোকে দুখ পাইছে। মই তেওঁলোকৰ মনৰ অৱস্থাটো বুজি পাওঁ। মই সংবেদনশীলতাৰ সৈতে তেওঁলোকৰ ওচৰলৈ যাবলৈ চেষ্টা কৰিছোঁ। মোক যাতে ভুল নুবুজে। অসমৰ জনজীৱনক অতি শক্তিশালীভাৱে প্ৰতিফলিত কৰিছে দিছপুৰে। দিছপুৰ হ’ল ক্ষমতাৰ স্নায়ু কেন্দ্ৰ। সকলোবোৰ সচেতন ভোটাৰ। মই ভাবো প্ৰগতিশীল মনৰ মানুহ হিচাপে প্ৰতিষ্ঠিত কৰিব পাৰিছোঁ। বিজেপ দলৰ সাংগঠনিক শক্তিৰ ওপৰত ভিত্তি কৰি মানুহৰ ওচৰলৈ যাম ।

সম্পাদকীয় শিতান... দেৱাশীষ গোস্বামী, নগাঁও

# পেটৰ ভোক বৰশীৰ টোপ







ক্ষুধা বা ভোক বৰভংয়কৰ। মানুহক অমানুহলৈ ৰূপান্তৰিত কৰিব পৰা সামৰ্থ্যৰে সামৰ্থবান। একমাত্ৰ পেটৰ ক্ষুধা নিবাৰনৰ বাবেই জন্ম লভিয়েই জীৱন যুদ্ধৰ একো একোজন যোদ্ধা আমিবোৰ। বিভিন্ন বিভূষনেৰে একো একোজন আক্ৰান্ত যোদ্ধা আমি সকলো। দুবেলা দুমুঠি অন্নৰ বাবেই অবিৰত সংগ্ৰাম। ক্ষুধা নিবাৰনৰ অতিৰিক্ত খিনিয়েই ৰাহী। এই ৰাহীৰ গ্ৰাফদালৰ শিখৰত আৰোহণ কৰিবলৈ ক’ত যে কাণ্ড দুঠেঙীয়াবোৰৰ।

বৰশী, মাছ ধৰাৰ অন্যতম এক সঁজুলি। আজৰি সময়ত আমাৰ বহুতৰে বৰশী বোৱাটো এটা অন্যতম আকৰ্ষণীয় চখ। ভোকাতুৰ মাছবোৰে পেটৰ ক্ষুধা নিবাৰনৰ বাবে আগ পিছ নুগুনি বৰশীৰ টোপ গিলি কেৰাহীৰ গৰম তেলত আত্ম জাহ দিয়ে মানব জাতিৰ পেটৰ ক্ষুধা বা ভোক নিবাৰনৰ অৰ্থে। বজাৰত মাছ ধৰিবৰ বাবে উন্নত প্ৰযুক্তিৰ বৰশী সহজলভ্য। সৰু সুৰা মাছ ধৰিবৰ বাবে সাধাৰণ বৰশীত আটা টোপ, কেঁচু টোপ, আমৰলি টোপ, কদো, বৰলৰ টোপৰ পদ্ধতি বোৰেই প্ৰচলিত আৰু যথেষ্ট। পিছে ডাঙৰ আৰু গভীৰ পানীৰ মাছৰ বাবে Hitech বৰশীৰ প্ৰয়োজন, লগতে উন্নত মানৰ লোভনীয় টোপ। পৃথিৱীৰ বহু ঠাইত অনুষ্ঠিত হোৱা আকৰ্ষণীয় বৰশী বোৱা প্ৰতিযোগিতা বোৰলৈ মন কৰিলেই উন্নত প্ৰযুক্তিৰ প্ৰয়োজনীয়তা তথা লোভনীয় টোপৰ গুৰুত্ব অনুধাবন কৰিব পাৰি।

ভোকাতুৰ সেই মাছবোৰৰ দৰে আমি মানব জাতিটোও অতি বেছি ক্ষুধাৰ্ত। সেই কথা উপলব্ধি কৰিয়েই আমাৰ চাৰিওফালে নানা আকৰ্ষণীয় Hitech বৰশী আৰু অতি লোভনীয় টোপৰ পয়োভৰ। আমি বোৰৰ লুলোপ চাৱনি অনবৰতে সেই বৰশী বোৰৰ ওপৰতে নিবদ্ধ। গুৰু-গোঁসাই নামানি, শুদ্ধা-শুদ্ধ বিচাৰ নকৰি যঠেষ্টৰেও নটা আমিবোৰৰ মাজত টোপ গিলাৰ অঘোষিত প্ৰতিযোগিতা। স্বাৰ্থান্বেষী এচামৰ সীমা চেৰাই যোৱা লোভনীয় টোপৰ পয়োভৰত সাধাৰণ নাগৰিক তেনেই বিভ্ৰান্ত।

এতিয়া সময় ৫ বছৰীয় বৰশী বোৱা প্ৰতিযোগিতাৰ, লোভনীয় টোপ গিলাৰ আৰু তাৰ পাছত গৰম তেলত গা সেকিবলৈ প্ৰস্তুতি চলোৱাৰ।

ভৰিলেও পেট নভৰা আমিবোৰ আৰু বিভিন্ন লোভনীয় বৰশীৰ টোপেই আমাৰ কাল, নহয়নে বাৰু ?

# আঘাতৰ বাবে আইপিএলৰ পৰা বাদপৰিল আকাশদীপ




ৰঙিলী বাৰ্ত্তাসেৱা- ২৮ মাৰ্চৰ পৰা আৰম্ভ হ’বলগীয়া বিচিচিআইৰ ঐশ্বৰ্যশালী প্ৰতিযোগিতাখনৰ পূৰ্বে আঘাতৰ সমস্যাত ভুগিছে কলকাতা নাইট ৰাইডাৰ্ছ। হৰ্ষিত ৰানাৰ পিছত ( নপৃষ্ঠাত চাওক)

# বিশাল জনসমুদ্ৰৰ মাজেৰে মনোনয়ন দাখিল মুখ্যমন্ত্ৰীৰ



ৰঙিলী বাৰ্তাসেৱা- গেৰুৱাময় হৈ পৰিল গুৱাহাটী মহানগৰীৰ ৰাজপথ। গুৱাহাটী মহানগৰীক গেৰুৱা কৰি জনসমুদ্ৰৰ জনযাত্ৰাৰে জালুকবাৰী সমষ্টিৰ বাবে মনোনয়ন-পত্ৰ দাখিল কৰিলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰী হিচাপে প্ৰথমবাৰৰ বাবে আৰু সপ্তমবাৰৰ বাবে জালুকবাৰী সমষ্টিৰ পৰা মনোনয়ন দাখিলৰ সময়ত মুখ্যমন্ত্ৰীগৰাকীক সংগ দিলে পত্নী ৰিণিকি ভূঞা শৰ্মা, পুত্ৰ নন্দিল বিশ্ব শৰ্মা, গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধিৰ লগতে লক্ষাধিক কাৰ্যকৰ্তা-সমৰ্থকে। কাৰ্যতঃ মুখ্যমন্ত্ৰীৰ মনোনয়ন দাখিলৰ পৰ্বই একপ্ৰকাৰ জোৱাৰৰ সৃষ্টি কৰি সমগ্ৰ গুৱাহাটীত বিজেপিৰ সমৰ্থনৰ ঢৌ বোৱাই দিয়াই নহয়, মনোনয়ন দাখিলৰ বৃহৎ সমদলেৰে আৰম্ভ হ'ল শাসকীয় দলটোৰ নিৰ্বাচনী প্ৰচাৰ অভিযান। প্ৰতিকূল বতৰৰ মাজতো শুক্ৰবাৰে পুৱাৰ ভাগতে মুখ্যমন্ত্ৰীৰ মনোনয়ন দাখিল পৰ্বত ভাগ ল'বলৈ গুৱাহাটীৰ পাঁচোটা সমষ্টিৰ লগতে শুৱালকুছি-হাজো, পলাশবাৰীৰ উপৰি আন কেইবাটাও সমষ্টিৰ পৰা কাৰ্যকৰ্তা আৰু সমৰ্থকে আহি ভিৰ কৰে খানাপাৰাস্থিত পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত। হাতে হাতে বিজেপিৰ পতাকা লৈ মনোনয়ন পৰ্বত উপস্থিত হ'বলৈ অহা বিশাল কাৰ্যকৰ্তাৰ ভিৰে গুৱাহাটীৰ সমগ্ৰ পথছোৱা গেৰুৱা কৰি তোলাই নহয়, কিনকিনীয়া বৰষুণৰ মাজতো হিলদ'ল ভাঙি গুৱাহাটীৰ বিভিন্ন বাৰ্ডৰ পৰাও ওলাই আহিল আবাল বৃদ্ধ-মহিলা। উল্লেখ্য যে জালুকবাৰী সমষ্টিৰ পৰা মনোনয়ন দাখিলৰ পূৰ্বে মুখ্যমন্ত্ৰী ড° শৰ্মাই কাহিলিপাৰাৰ বাসগৃহত উপস্থিত হৈ মাতৃ মৃণালিনী দেৱীৰ চৰণ



স্পৰ্শ কৰি আশীৰ্বাদ গ্ৰহণ কৰে। উল্লেখ্য যে মুখ্যমন্ত্ৰীৰ মনোনয়ন দাখিলৰ বাবে খানাপাৰাত উপস্থিত হোৱা সমৰ্থকসকলৰ মাজত দেখা (দহ পৃষ্ঠাত চাওক)

# বিশাল সমদলেৰে মনোনয়ন দাখিল পীযূষৰ হাজৰিকাৰ

ৰঙিলী বাৰ্তাসেৱা- ঢোলে-দগৰে সহস্ৰাধিক সমৰ্থকক লৈ জাগীৰোড সমষ্টিৰ বাবে ভাৰতীয় জনতা পাৰ্টীৰ মনোনীত প্ৰাৰ্থী পীযূষ হাজৰিকাই মনোনয়ন-পত্ৰ দাখিল কৰে। মনোনয়ন-পত্ৰ দাখিল পূৰ্বে জাগীৰোডৰ পৱিত্ৰ ঐতিহাসিক দেওশাল মন্দিৰত পত্নী আইমী বৰুৱা আৰু সন্তানসহ সেৱা জনাই মনোনয়ন দাখিল যাত্ৰা আৰম্ভ কৰিলে মন্ত্ৰী পীযূষ হাজৰিকাই। ৰিটাৰ্নিং বিষয়া হৃদয় কুমাৰ দাসে মন্ত্ৰী পীযূষ হাজৰিকাৰ মনোনয়ন-পত্ৰ গ্ৰহণ কৰে।



তৃতীয়বাৰৰ বাবে সমষ্টিটোৰ পৰা বিধানসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা মন্ত্ৰী পীযূষ হাজৰিকাৰ সমৰ্থকে আকাশত আকৰ্ষণীয় ড্ৰোনসজ্জাৰে অভিনন্দন আৰু আশীৰ্বাদ জনায়। দলীয় নেতা-কৰ্মী-অনুগামীসহ প্ৰায় ৪০ হাজাৰ লোকে মন্ত্ৰী হাজৰিকাক যাত্ৰাত সহযোগ কৰে। মনোনয়ন দাখিলৰ অন্তত জাগীৰোডবাসীক বিনয়েৰে প্ৰাৰ্থনা জনাই তেওঁ কয় যে মন্ত্ৰিত্বৰ কালছোৱাত (দহ পৃষ্ঠাত চাওক)

# জুবিন গাৰ্গ হত্যাকাণ্ডৰ অভিযুক্তৰ চাৰ্জফ্ৰেমৰ শুনানি আৰম্ভ

ৰঙিলী বাৰ্তাসেৱা- কামৰূপ মহানগৰ জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালতত প্ৰাণৰ শিল্পী জুবিন গাৰ্গ হত্যাকাণ্ডৰ অভিযুক্তৰ চাৰ্জফ্ৰেমৰ শুনানি শুকুৰবাৰৰ পৰা পুনৰ আৰম্ভ হৈছে। উল্লেখ্য যে শুকুৰবাৰে চৰকাৰী অধিবক্তাৰ দলৰ তৰফৰ পৰা আটাইকেইজন অভিযুক্তৰ বিৰুদ্ধে চাৰ্জ শুনানি সম্পন্ন হয়। হত্যাকাণ্ডটোৰ অন্যতম অভিযুক্ত অমৃতপ্ৰভা মহন্তৰ অধিবক্তায়ো আদালতত বিভিন্ন যুক্তি দৰ্শায় যদিও আধৰুৱাকৈহে যুক্তি প্ৰদৰ্শন কৰে। উল্লেখ্য যে হত্যাকাণ্ডটোৰ অন্যতম অভিযুক্ত সন্দীপন গাৰ্গ, নন্দেশ্বৰ বৰা, পৰেশ বৈশ্যই গোচৰটোৰ পৰা ৰেহাইৰ দাবীৰে কৰা আবেদন সন্দৰ্ভতো চৰকাৰী লোক অধিবক্তাই বিৰোধিতাৰে যুক্তি ( নপৃষ্ঠাত চাওক)

# বিজেপি ত্যাগ জয়ন্ত

শৰ্মাই জয়ন্ত দাস বিজেপিতে থাকিব বুলি কৈছিল । কিন্তু অৱশেষত জয়ন্ত দাসে পদত্যাগ কৰিলে। দলৰ ৰাজ্যিক সভাপতিক উদ্দেশ্যি লিখা পত্ৰখনত জয়ন্ত কুমাৰ দাসে লিখিছে 'মই মোৰ ব্যক্তিগত অসুবিধাৰ বাবে ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশৰ প্ৰাথমিক সদস্যপদকে ধৰি সকলো পদৰ পৰা পদত্যাগ-পত্ৰ আগবঢ়াইছোঁ।' উল্লেখ্য, জয়ন্ত দাসে টিকট বঞ্চিত হোৱাৰ পিছত মুখ্যমন্ত্ৰীক প্ৰত্যাহ্বান জনাইছিল প্ৰদ্যুৎ বৰদলৈক জালুকবাৰীত প্ৰাৰ্থিত্ব প্ৰদান কৰিবলৈ। দলৰ ৰাষ্ট্ৰীয় মুখপাত্ৰ সম্বিত পাত্ৰই দাসৰ বাসগৃহত আহি সান্ত্বনা দিয়াৰ চেষ্টা কৰিছিল। উল্লেখ্য, ১৯৯০ চনৰ পৰাই তেওঁ বিজেপিৰ সৈতে জড়িত আছিল। কিন্তু ২০১৩ চনত, সৰ্বানন্দ সোনোৱালে অগপ ত্যাগ কৰি বিজেপিত যোগদান কৰাৰ পিছত জয়ন্ত দাসে বিজেপি ত্যাগ কৰি অগপত যোগ দিছিল। তেওঁ ২০১৬ চনলৈকে অগপ দলতে আছিল। ২০১৬ চনত ৰাজ্যিক নিৰ্বাচনৰ ঠিক আগে আগে জয়ন্ত দাসে অগপ এৰি পুনৰ বিজেপিলৈ ঘূৰি আহে। ২০০৬ চনত জয়ন্ত দাসে বিজেপিৰ পৰা হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰিছিল। সেইবাৰ হিমন্ত বিশ্ব শৰ্মাই ৭৬, ০০০ ভোট পোৱাৰ বিপৰীতে জয়ন্ত দাসে মাত্ৰ ৫, ৬৩২ টা ভোটহে লাভ কৰিছিল।

# প্ৰথম দিনাই শাসক-বিৰোধীৰ বহুকেইগৰাকী প্ৰাৰ্থীৰ মনোনয়ন দাখিল



ৰঙিলী বাৰ্তাসেৱা- অহা ৯ এপ্ৰিলত অনুষ্ঠিত হ'ব লগা বিধানসভা নিৰ্বাচনৰ বাবে প্ৰথম দিনাই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, পঞ্চদশ বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, ৰাইজৰ দলৰ সভাপতি অখিল গগৈ, অজাপৰ সভাপতি লুৰিণজ্যোতি গগৈ, মন্ত্ৰী প্ৰশান্ত ফুকন, অশোক সিংহল, অজন্তা নেওগ আদিকে ধৰি বহুকেইগৰাকী হেভীৱেট প্ৰাৰ্থীয়ে নিজৰ নিজৰ মনোনয়ন-পত্ৰ দাখিল কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কামৰূপ মহানগৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত বিশাল সমদল কৰি নিজৰ মনোনয়ন-পত্ৰ দাখিল কৰে। ইফালে, ঐতিহাসিক শিৱসাগৰত চাৰিগৰাকী হেভীৱেট প্ৰাৰ্থীয়ে নিজৰ নিজৰ মনোনয়ন-পত্ৰ দাখিল কৰে। শিৱসাগৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত বিৰোধী দলপতি কংগ্ৰেছৰ নাজিৰাৰ প্ৰাৰ্থী দেৱব্ৰত শইকীয়া, ৰাইজৰ দলৰ সভাপতি শিৱসাগৰৰ প্ৰাৰ্থী অখিল গগৈ, নাজিৰাৰ বিজেপিৰ প্ৰাৰ্থী ময়ূৰ বৰগোহাঁই, অগপৰ শিৱসাগৰৰ প্ৰাৰ্থী প্ৰদীপ হাজৰিকাই নিজৰ মনোনয়ন-পত্ৰ দাখিল কৰে। নাজিৰাৰ প্ৰাৰ্থী দেৱব্ৰত শইকীয়া আৰু শিৱসাগৰৰ ৰাইজৰ দলৰ প্ৰাৰ্থী অখিল গগৈৰ মনোনয়ন-পত্ৰ দাখিলৰ সময়ত তেওঁলোকক সংগ দিয়ে প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে। শিৱসাগৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত মনোনয়ন-পত্ৰ দাখিল কৰা উল্লিখিত চাৰিওজন প্ৰাৰ্থীয়ে শিৱসাগৰ নগৰৰ মাজেৰে বিশাল শোভাযাত্ৰাৰে আয়ুক্তৰ কাৰ্যালয়ত উপস্থিত হৈ নিজ নিজ মনোনয়ন ৰিটাৰ্নিং বিষয়াৰ হাতত প্ৰদান কৰে। অগপ-বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী প্ৰদীপ হাজৰিকাই (দহ পৃষ্ঠাত চাওক)

# জাগীৰোডত


পতাকা উত্তোলন কৰা হয়। ইয়াৰ পিছতে এখন দলীয় সভাত কৰ্মী-সমৰ্থকসকলক উদ্দেশ্যি নিৰ্বাচনৰ বাবে কঁকালত টঙালি বান্ধিবলৈ আহ্বান জনায় প্ৰাৰ্থী পীযূষ হাজৰিকাই। এই সভাতে বিজেপিৰ নীতি আৰু আদৰ্শৰ প্ৰতি আকৃষ্ট হৈ দলত যোগদান কৰে অৰ্ধশতাধিক কংগ্ৰেছ কৰ্মীয়ে। সহস্ৰাধিক দলীয় নেতা-কৰ্মীয়ে নিৰ্বাচনী কাৰ্যালয় মুকলি কৰা সভাখনত অংশগ্ৰহণ কৰে।

# তামুলপুৰত বিশ্বজিৎ দৈমাৰী আৰু প্ৰমোদ বড়োৰ মনোনয়ন দাখিল



ৰঙিলী বাৰ্তাসেৱা-তামুলপুৰ (জনজাতি) সমষ্টিৰ বাবে এনডিএৰ প্ৰাৰ্থী বিশ্বজিৎ দৈমাৰী আৰু ইউপিপিএলৰ প্ৰাৰ্থী প্ৰমোদ বড়োৱে মনোনয়ন-পত্ৰ দাখিল কৰে। মনোনয়ন-পত্ৰ দাখিলৰ পূৰ্বে দলৰ নেতা-কৰ্মী আৰু হাজাৰ হাজাৰ সমৰ্থকে এনডিএৰ প্ৰাৰ্থী বিশ্বজিৎ দৈমাৰীক লৈ এক বিশাল ৰেলী উলিয়ায়। ৰেলীত অংশ গ্ৰহণকাৰীসকলে 'বিজেপি জিন্দাবাদ, নৰেন্দ্ৰ মোদী জিন্দাবাদ, নীতিন নবীন জিন্দাবাদ, ড° হিমন্ত বিশ্ব শৰ্মা জিন্দাবাদ, দিলীপ শইকীয়া জিন্দাবাদ, বিশ্বজিৎ দৈমাৰী জিন্দাবাদ' আদি ধ্বনি দিয়ে। বিশ্বজিৎ দৈমাৰীয়ে মনোনয়ন পত্ৰ দাখিলৰ সময়ত তেওঁক সংগ দিয়ে মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, বিটিচিৰ উপাধ্যক্ষ বিজিত গৌৰা নাৰ্জাৰী, কাৰ্যবাহী সদস্য গণেশ কছাৰী, লক্ষী (ভজন) দাস আদিয়ে। মনোনয়ন-পত্ৰ দাখিলৰ অন্তত বিশ্বজিৎ দৈমাৰীয়ে সংবাদ মাধ্যমৰ আগত কয়, মোক হাজাৰ হাজাৰ সমৰ্থকে সংগ দিলে। ইমান সমৰ্থকৰ মৰম পোৱাটো মোৰ সৌভাগ্য। মই জয়ী হোৱাটো নিশ্চিত। প্ৰমোদ বড়োৱে নিৰ্বাচনত অংশ লোৱা সন্দৰ্ভত ( নপৃষ্ঠাত চাওক)

# অগপৰ সকলো বিষয়-বাব ত্যাগ ৰমেন্দ্ৰ নাৰায়ণ কলিতাৰ



ৰঙিলী বাৰ্তাসেৱা- বিধানসভা নিৰ্বাচনৰ প্ৰাকঃক্ষণত অগপত মোক্ষম আঘাত । অগপ দলৰ সকলো পদবী তথা বিষয়-বাব ত্যাগ কৰিলে দলৰ সাধাৰণ সম্পাদক, জ্যেষ্ঠ নেতা তথা পূৰ্বৰ পশ্চিম গুৱাহাটী সমষ্টিৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই। দলৰ প্ৰাথমিক সদস্য হিচাপে থাকি দলৰ উন্নতি কামনা কৰি যাব ৰমেন্দ্ৰ নাৰায়ণ কলিতাই। তেওঁ নিজৰ পদত্যাগ-পত্ৰ অগপৰ সভাপতি অতুল বৰালৈ প্ৰেৰণ কৰে। টিকট বঞ্চিত হৈ অৱশেষত দলৰ সকলো পদবী তথা দায়িত্ব বিধায়কগৰাকীয়ে ত্যাগ কৰিলে। সমষ্টি পুনৰ নিৰ্ধাৰণৰ পিছত পশ্চিম গুৱাহাটী সমষ্টি বিলুপ্ত হৈ নতুনকৈ হোৱা মধ্য গুৱাহাটী সমষ্টিৰ পৰা টিকট বিচাৰিছিল ৰমেন্দ্ৰ নাৰায়ণ কলিতাই। দলীয় নেতৃত্বই তেওঁক প্ৰাৰ্থিত্ব দিয়াৰ নিশ্চয়তাও প্ৰদান কৰিছিল। কিন্তু অগপৰ নেতৃত্ব মিত্ৰদল বিজেপিৰ ওচৰত নত হ'ল। মধ্য ( নপৃষ্ঠাত চাওক)

# বিজেপিৰ ৮৮জনীয়া প্ৰাৰ্থী তালিকা ঘোষণা




ৰঙিলী বাৰ্তাসেৱা- প্ৰকাশ হ'ল বিজেপিৰ ৮৮জনীয়া প্ৰাৰ্থী তালিকা। বুধবাৰে নতুন দিল্লীত সংসদীয় ব'ৰ্ডৰ বৈঠকত ৰাষ্ট্ৰীয় নেতৃত্বই প্ৰাৰ্থী তালিকাত ছীল-মোহৰ মৰাৰ পাছত বৃহস্পতিবাৰে আনুষ্ঠানিকভাৱে প্ৰকাশ পালে বিজেপিৰ প্ৰাৰ্থী তালিকা। বিজেপিয়ে প্ৰকাশ কৰা বিধানসভা নিৰ্বাচনৰ প্ৰাৰ্থী তালিকাৰ পৰা বৰ্তমানৰ ১৯গৰাকীকৈ বিধায়ক বাদ পৰিছে। ইয়াৰ বিপৰীতে ৪গৰাকী নতুন মুখে তালিকাত স্থান লাভ কৰিছে। যুব প্ৰজন্মৰ লগতে মহিলা আৰু সকলো জনগোষ্ঠীক সামৰি প্ৰকাশ কৰা এই তালিকাত স্থান লাভ কৰিছে ৬গৰাকীকে মহিলা প্ৰাৰ্থীয়ে। বশিষ্ঠস্থিত বাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়ত প্ৰাৰ্থী তালিকাক লৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ মন্তব্য প্ৰাৰ্থী তালিকাত যুব প্ৰজন্ম-মহিলা, অনুসূচিত জাতি-জনজাতি, কোচ ৰাজবংশীৰ পৰা আৰম্ভ কৰি নাথ জনগোষ্ঠীলৈ বিজেপিয়ে যিমানবোৰ সম্ভৱ হয় প্ৰতিটো জনগোষ্ঠীকে প্ৰাৰ্থী তালিকাত প্ৰতিনিধিত্ব দিবলৈ প্ৰয়াস আৰু চেষ্টা কৰা হৈছিল। বিজেপিৰ ভাতৃ সংগঠনসমূহৰ জৰিয়তে দলৰ বাবে কাম কৰি থকা বহু যুৱ প্ৰাৰ্থীক এইবাৰ প্ৰদান কৰা হৈছে প্ৰাৰ্থিত্ব। তৃণমূল পৰ্যায়ত কাম কৰি থকা এই প্ৰাৰ্থীসকলে তালিকাত স্থান পোৱাটো দলৰ বাবে এক সুখবৰ। এই তালিকাত নতুন তেজে স্থান পোৱাৰ ( নপৃষ্ঠাত চাওক)

# অগপই প্ৰকাশ কৰিলে ২৬জনীয়া প্ৰাৰ্থী তালিকা




ৰঙিলী বাৰ্তাসেৱা- বিজেপিৰ পিছতে শাসকীয় মিত্ৰজোঁটৰ অন্যতম অংশীদাৰ আঞ্চলিক দল অসম গণ পৰিষদ (অগপ)-এ প্ৰকাশ কৰিলে ২৬জনীয়া প্ৰাৰ্থী তালিকা। এনডিএৰ সিদ্ধান্ত অনুসৰি দলটোৱে আগন্তুক বিধানসভা নিৰ্বাচনত ২৬টা সমষ্টিতে প্ৰতিদ্বন্দ্বিতা কৰিব। অৰ্থাৎ একেখন তালিকাতে অগপই আটাইকেইজন প্ৰাৰ্থীৰ নাম সন্নিবিষ্ট কৰিছে। দলৰ সভাপতি অতুল বৰাই স্বাক্ষৰ কৰা তালিকা অনুসৰি বোকাখাতত তেওঁ নিজে প্ৰতিদ্বন্দ্বিতা কৰিব। সেইদৰে কলিয়াবৰত পুনৰ প্ৰাৰ্থিত্ব লাভ কৰিছে ( নপৃষ্ঠাত চাওক)

# ডিব্ৰুগড়ত অখিল গগৈ-গৌৰৱ গগৈৰ ৰুদ্ধদ্বাৰ বৈঠক



ৰঙিলী বাৰ্তাসেৱা- ডিব্ৰুগড়ত ৫ ঘন্টা ৰুদ্ধদ্বাৰ আলোচনা কৰি আহি সাংবাদিকক অখিল গগৈয়ে কলে যে কংগ্ৰেছে ৰাইজৰ দলক সমষ্টি এৰি দিম বুলি প্ৰকাশ কৰি থকা ১৩ জনীয়া লিষ্টখন গৌৰৱ গগৈৰ নিজৰহে আছিল। মই জানো যে এ আই চি চিৰ অনুমোদন নাছিল এই লিষ্টখন। ৫ ঘন্টা ধৰি ডিব্ৰুগড়ৰ হোটেল টি কাউণ্টিত আলোচনা কৰিও গৌৰৱ গগৈৰ লগত মত নিমিলিল অখিল গগৈৰ। বিশেষকৈ মিত্ৰতা সম্পৰ্কত আসন ভাগ বতৰাক লৈ এই আলোচনা হৈছিল। গৌৰৱ গগৈয়ে পুনৰ এ পি চি চিৰ লগত আলোচনা কৰি জনাব বুলি কয় অখিল গগৈক। ৰাইজৰ দলে বিচৰা ধেমাজি আৰু নাওবৈচা সমষ্টিৰ ওপৰতো হোৱা নাই বিবেচনা। সেই দুটা সমষ্টিৰ ওপৰতো বিবেচনা কৰিবলৈ আহ্বান জনাই আহিছে অখিলে গৌৰৱক। অতি চৰ্চিত ধিং আৰু দলগাঁও সমষ্টিৰ আলোচনা সম্পৰ্কে এষাৰ কথাও নকৈ আঁতৰি যায় অখিল গগৈ । সংবাদ মাধ্যমৰ আগত অখিল গগৈয়ে বাৰে বাৰে ক'লে অমিমাংসিত হ'ল আজিৰ আলোচনা। ইফালে আলোচনাৰ পাছত ওলাই অহা অখিল গগৈক আগচি ধৰিলে দুলীয়াজান সমষ্টিৰ ৰাইজৰ দলৰ একাংশ কৰ্মীয়ে। মিত্ৰতা কোনোপধ্যেই মানি নলয় দুলীয়াজান সমষ্টিত ৰাইজৰ দলৰ মহিলা কৰ্মীয়ে। একক ভাৱেই অৱতীৰ্ণ হ'বলৈ সাজু হৈ মহিলা সকল। অখিলৰ মিত্ৰতা-আসন ভাগ বতৰা মানি নল'বলৈ দিলে সকিয়নী মহিলা কৰ্মীয়ে। কংগ্ৰেছৰ ধ্ৰুৱ গগৈৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ প্ৰকাশ কৰে ৰাইজৰ দলৰ সমৰ্থক সকল।

# জুবিন হত্যাৰ শুনানিৰ বাবে ফাষ্টট্ৰেক আদালত গঠন

ৰঙিলী বাৰ্তাসেৱা- অসমৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ৬ মাহ সম্পূৰ্ণ হৈছে । ৬ মাহে চলি থকা বিভিন্ন দাবী আৰু জল্পনা-কল্পনাৰ অন্তত গঠন হ'ল ফাষ্টট্ৰেক আদালত। এতিয়াৰে পৰা নিয়মীয়াকৈ বিশেষ ফাষ্টট্ৰেক আদালতত চলিৰ প্ৰাণৰ শিল্পীৰ হত্যাকাণ্ডৰ বিচাৰ প্ৰক্ৰিয়া। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই কথা ঘোষণা কৰে। উল্লেখ্য যে প্ৰিয় শিল্পীক ন্যায় দিবলৈ ৰাজ্য চৰকাৰে কিছুদিন পূৰ্বে কেবিনেট বৈঠকযোগে বিশেষ ফাষ্টট্ৰেক আদালত গঠন কৰাৰ বাবে গুৱাহাটী উচ্চ ন্যায়ালয়ক আবেদন জনোৱাৰ সিদ্ধান্ত লৈছিল। এই বিষয়ে সদৰী কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে গুৱাহাটী উচ্চন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰে এখন পত্ৰযোগে এই কথাখিনি জনাইছে। বাক্সা জিলাৰ জিলা আৰু সত্ৰ ন্যায়াধীশ শৰ্মিলা ভূঞাক ক'ৰ্টখনৰ ন্যায়াধীশ হিচাপে নিযুক্তি দিয়া হৈছে। বিশেষ ক'ৰ্টখনে আন কোনো কাম নকৰে কেৱল জুবিন গাৰ্গৰ গোচৰৰ শুনানিৰ কাম কৰিব। গুৱাহাটী উচ্চন্যায়ালয়ৰ মুখ্য ( নপৃষ্ঠাত চাওক)

# জ্ঞান পদপথত, বিলাসিতা শ্ব'ৰুমতঃ আধুনিকতাৰ এহেজাৰ বিকৃতি



**কুণ্ডিল হাজৰিকা,যোৰহাট, টীয়ক**

বৰ্তমান সময়ক শাস্ত্ৰীয় দৃষ্টিত 'কলিযুগ' বুলি অভিহিত কৰা হয়, য'ত মানৱীয় মূল্যবোধৰ দ্ৰুত অৱক্ষয় ঘটাৰ কথা উল্লেখ আছে। আমাৰ চৌপাশৰ সমাজখনলৈ দকৈ চালে দেখা যায় যে আমি অৰ্থনৈতিক আৰু প্ৰযুক্তিগতভাৱে যিমান আগবাঢ়িছোঁ, মানসিক আৰু নৈতিকভাৱে সিমানেই যেন পিছুৱাই গৈছোঁ। আজিৰ সমাজত এনে কিছুমান বিপৰীতমুখী দৃশ্য প্ৰতিদিনেই প্ৰকট হৈ পৰিছে, যিবোৰে আমাৰ সভ্যতাৰ ভয়াৱহ স্বৰূপটোহে উদঙাই দিয়ে।

আজিৰ দিনত আমি দেখো পাওঁ যে যি জ্ঞানৰ আধাৰত সমাজ এখন গঢ় লৈ উঠে, সেই অমূল্য সম্পদ কিতাপবোৰ আজি পদপথৰ ধূলি-বালিৰ মাজত বিক্ৰী হয়। আনহাতে, বিলাসিতাৰ প্ৰতীক হিচাপে গণ্য কৰা দামী জোতাযোৰ আমি খুব সযতনে কাঁচৰ শ্ব'ৰুমৰ ভিতৰত সজাই থওঁ। ইয়াৰ পৰাই প্ৰমাণ হয় যে আধুনিক সমাজত বৌদ্ধিক বিকাশৰ তুলনাত বাহ্যিক আড়ম্বৰৰ গুৰুত্ব কিমান বেছি। কেৱল কিতাপৰ ক্ষেত্ৰতে নহয়, আমাৰ খাদ্যভাস আৰু অভ্যাসৰ ক্ষেত্ৰতো এক অদ্ভুত বিকৃতি লক্ষ্য কৰা যায়। সমাজত বিষ বিয়পোৱা নিচাযুক্ত দ্ৰব্য যেনে মদ আদি কিনিবলৈ মানুহে নগদ ধনৰ মোনা খুলি দিয়ে, অথচ শৰীৰৰ বাবে উপকাৰী আৰু পুষ্টিকৰ গাখীৰখিনি লওঁতে সদায় বাকী বিচাৰি দৰদাম কৰে। যিটো বস্তুৱে সমাজক ধ্বংসৰ পিনে লৈ যায় তাৰ বাবে আমাৰ হাতত পৰ্যাপ্ত ধন থাকে, কিন্তু যিটোৱে আমাক জীৱন শক্তি দিয়ে, তাৰ ক্ষেত্ৰত আমি সদায় কৃপণালি কৰোঁ।

পশু প্ৰেমৰ নামতো আজি এক ধৰণৰ প্ৰদৰ্শনকামিতা চলিছে। আমি ঘৰৰ ভিতৰত দামী কুকুৰ পুহি তাক বিচনাত ঠাই দিওঁ, কিন্তু যি গৰুক আমি গো-মাতা বুলি ভক্তি কৰোঁ, সেই গৰু আজি ৰাজপথৰ আৱৰ্জনাৰ মাজত খাদ্য বিচাৰি ফুৰিবলগীয়া অৱস্থা হৈছে। মানুহৰ অসচেতনতাৰ বাবে আৱৰ্জনাৰ দ'মত মিহলি হৈ থকা বিষাক্ত প্লাষ্টিকৰ বেগ আদি অনিচ্ছাসত্বেও খাদ্যৰ সৈতে গিলি পেলাই অকালতে মৃত্যুমুখত পৰিবলগীয়া হৈছে। ই আমাৰ পশুপ্ৰেম নে একপ্ৰকাৰৰ আধুনিক বিলাসিতা, সেয়া এক ডাঙৰ প্ৰশ্ন। কিন্তু এই সকলোবোৰতকৈও ভয়ংকৰ আৰু বেদনাদায়ক দৃশ্যটো হ'ল আমাৰ পাৰিবাৰিক সম্পৰ্কৰ ফাট। আজিৰ বহু ল'ৰা-ছোৱালীয়ে বিদেশত উচ্চশিক্ষা গ্ৰহণ কৰি সফলতাৰ শিখৰত আৰোহণ কৰিছে সঁচা, কিন্তু যি পিতৃ-মাতৃয়ে নিজৰ সকলো সুখ বিসৰ্জন দি সন্তানক মানুহ কৰিলে, সেই পিতৃ-মাতৃৰ শেষ বয়সৰ ঠিকনা হৈছে 'বৃদ্ধাশ্ৰম'। উচ্চশিক্ষাই যদি নিজৰ জন্মদাতাক সন্মান কৰিবলৈ নিশিকায়, তেন্তে সেই শিক্ষাৰ কোনো সাৰ্থকতা নাই।

এই বৈপৰীত্যবোৰেই আজিৰ সমাজৰ এক নিৰ্মম বাস্তৱ। আমি যিমানেই শিক্ষিত বা চহকী নহওঁ কিয়, যদিহে আমাৰ মাজত মানৱীয়তা আৰু সঠিক মূল্যবোধ নাথাকে, তেন্তে সমাজৰ এই অৱক্ষয় ৰোধ কৰা অসম্ভৱ। সময় থাকোতেই যদি আমি নিজৰ মানসিকতা সলনি নকৰোঁ, তেন্তে আমাৰ ভৱিষ্যৎ প্ৰজন্ম এক গভীৰ অন্ধকাৰৰ ফালে গতি কৰিব।

# বিশ্ব কবিতা দিৱস ২১মাৰ্চ আৰু আধুনিক কবিতাৰ এটি টোক




**অনামিকা (সংগীতা) কলিতা, শুৱালকুছি**

বিশ্ব কবিতা দিৱস ২১মাৰ্চত গোটেই বিশ্বতে পাল কৰা হয়। কবি আৰু কবিতা এক আত্মীক সম্পৰ্ক আছে। কাৰণে সৃজনীশীল সাহিত্যত লেখকৰ নিজস্ব কৌশল থাকে, ভাবপ্ৰৱণতা থাকে, যাৰ যোগেদি কোনো এটা ঘটনা পাঠকৰ আগত দাঙি ধৰাৰ প্ৰয়াস কৰে কবি গৰাকীয়ে। কবিতা হৃদয়ৰ অনুভৱ কবিৰ কলমৰ কাপেৰে নিগৰি আহে-----

গতিকে কবিতা হ'ল কবিৰ মনৰ পথাৰৰ সৃষ্টিৰ সমল। সাধাৰণ পাঠকৰ দৃষ্টিত নপৰা একো একোটা সাধাৰণ বস্তুৰো মহত্ব পূৰ্ণ দৃষ্টিভংগীৰে সুনিপুণ ৰূপত সজাই পৰাই তোলে কবিয়ে কবিতাৰ মাধ্যমেৰে। কবি নলিনীবালা দেৱীৰ কবিতাবোৰ আধ্যাত্মিকতাৰ লগতে ৰোমান্টিক আৰু প্ৰকৃতিৰ পৰস বিচাৰি পোৱা যায়। বিহগী কবি ৰঘুনাথ চৌধাৰীৰ কবিতাবোৰ (চৰাই, ফুল) প্ৰকৃতিৰ ওপৰত লেখা।


কিন্তু সাম্প্ৰতিক অসমীয়া কবিতাৰ ধাৰা বুলি কওঁতে আধুনিক অসমীয়া কবিতাৰ কথাকে বুজি পাওঁ। আধুনিক কবিতাৰ ধাৰা গতিশীল। উনবিংশ শতিকাৰ শেষৰ দশকৰ *(আঠপৃষ্ঠাত চাওক)*

# এই যে আমি বেকাৰ বুলি ক'ও




এই যে আমি বেকাৰ বুলি ক'ও
আজি কালি বেকাৰ বুলি ক'লে বেয়া লাগে
কাৰণ অসমীয়া ভাষাটো ধ্ৰুপদী ভাষা হ'ল
সেই বাবে কৈছোঁ শিক্ষিত নিবনুৱা
হাহি উঠা কথা নিবনুৱা গননা কৰে চৰকাৰী চাকৰিৰ বিজ্ঞাপনত ,
গননা নহয় চাকৰি পোৱা কিমান সংক্ষক চাকৰিয়ালে
এটা নিবনুৱা মূৰ খাৱলে apply কৰে নতুন নতুন add ওলালে
আৰে ভাই apse cosen কৰি iv /3rd grad apply কৰি
চাকৰি ল'লা দুবছৰো চাকৰি নকৰি কিয় rijaiien দিলা বে
মুখ্যমন্ত্ৰীৰ ফেচবুক লাইভ মেলমিটিঙত live videor tranding
আমাৰ দৰে বেকাৰৰ কাট অফত নাম নাহিল
সন্ধিয়া মদৰ চাক্কনাত সোৱাদ নোঠিল
সপোনৰ কাৰেং ৰজাৰ বাগানৰ কলম দিয়া চাহপাতৰ দৰে হ'ল
ৰামৰ দেশত ৰাৱনৰ ৰাজত্ব হ'ল
B .se পাছ কৰি চকীদাৰ কৰি ৰাতিপুৱা চাহৰ
সোৱাদ ল'ব নোৱাৰা হোৱা নেকি ভন্টি
ৰজাৰ ভাষণ ৰাইজ গৰু গাহৰি পোহক
এই বাৰ পথাৰ আমাৰ বজাৰ আমাৰ
গৰুনো কি পোহিবা মিয়াৰ বদনাম দি অসমীয়া ও চোৰ কৰা হ'ল ।
গাহৰি টো দূৰৰ কথা গাৱৰ ভকতে মুৰ্গীও পোহিব নিদিয়ে বুলে ধৰ্ম নষ্ট হব়
খেতিনো কি কৰিবা আমাৰ পাচলি বজাত সামান্য মূল্য হ'ল
এচামে চাকৰি কৰে চৰকাৰী কিন্তু ল'ৰা ছোৱালী পঢ়ে আকৌ বেচৰকাৰী
চৰকাৰী স্কুলৰ শিক্ষক জনৰ যদি তেওঁৰ দৰে অন্য
এজন শিক্ষকৰ উপৰত ভৰসা নাই
চৰকাৰী স্কুলবোৰ বন্ধ হোৱাই ভাল
ৰাষ্টা পকা হ'ল মানুহ বোৰ অভদ্ৰ হ'ল
দূৰ্ঘটনা হ'লে সহায় কৰা ঠাইত ফেচবুক লাইভ অহা হ'ল


# ফাগুনৰ প্ৰথমজাক বৰষুণ



**বিশ্বজিৎ বৈশ্য, বংশৰ, শুৱালকুছি**

ফাগুনৰ প্ৰথম কিনকিনীয়া বৰষুণজাকে ধূলিৰ কুৱলী ধুৱাই প্ৰকৃতিৰ লগতে জীৱকুললৈ আশাৰ বতৰা কঢ়িয়াই আনে। যত শুকান পাতবোৰ সৰে আৰু লঠঙা হোৱা দেখা যায় আৰু গছবোৰে নতুন কুঁহিপাতৰ সম্ভাৱনা কঢ়িয়াই আনে। এই বৰষুণ জাকে অন্য এক মাত্ৰা দিয়ে, যাৰ পৰশত মাটিৰ মলমলীয়া গোন্ধৰে মন প্ৰাণ ভৰাই তোলে। খেতিৰ বাবে মাটিৰ উৰ্বৰতাৰ লগতো এৰাব নোৱৰা সম্পৰ্ক আছে। এইজাক বৰষুণৰ শেষত বীজ আদি সিচি শস্য উৎপাদন কৰা দেখা যায়। সমান্তৰালভাৱে বসন্তৰ আগমনৰ বতৰা দিয়া এই বৰষুণক প্ৰেম আৰু প্ৰাপ্তিৰ প্ৰতীক হিচাপেও গণ্য কৰা হয়।

# অসমীয়া ভাষাৰ অস্তিত্বৰ সম্প্ৰসাৰণ নে অস্তিত্ব লাঘৱ (এক নিৰ্মোহ বিশ্লেষণ আৰু দায়িত্ব)



চম্পাৱতী কলিতা, প্ৰাক্তন ছাত্ৰী দ্বৈত-বিষয়ৰ (অসমীয়া সাহিত্য আৰু ভাষা বিজ্ঞান)

ভাষা আৰু সাহিত্য দেশৰ প্ৰথম সম্পদৰাজিৰ ভিতৰৰ এবিধ। কিয় প্ৰথম সম্পদ সেইকথা জ্ঞানীমহলে নিশ্চয় জানে। পৃথিৱীৰ ভাষা-সাহিত্যৰ কথা ক'বলৈ নগৈ আমাৰ মা অৰ্থাৎ মাতৃৰ ভাষাটোৰ কথাকে অলপ দোহাৰিবলৈ লৈছোঁ। নিজৰ মাতৃভাষাৰ লগত এক বুজাব নোৱাৰা আবেগ জড়িত হৈ থাকে বাবেই জ্ঞানী গুণী লোকসকলে ভাষাটো বৰ্তাই ৰাখিবলৈ নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰিছিল। অসমীয়া ভাষা অসমৰ মাতৃ ভাষা। অসমত নিগাজিকৈ বাস কৰা সকলোৱে এই কথা মনে-প্ৰাণে গ্ৰহণ কৰে বা কৰিব লাগিব। মাতৃভাষাটো যিয়েই ভালদৰে বুজে আৰু জানে সেই সকলে অন্য ভাষা শিকাত বিলম্ব নহয় বুলি অন্য ভাষাৰ প্ৰশিক্ষক এগৰাকীয়ে কৈছিল আৰু কথাষাৰৰ সত্যতাও নথকা নহয়। এতিয়া কথা হ'ল অসমীয়া ভাষা আৰু সাহিত্যৰ বাবে জীৱনযোৰা সাধনা কৰা ব্যক্তিসকলৰ প্ৰতি আমি কিমান কৃতজ্ঞ?

তেখেতসকলে বহু কষ্টেৰে চৰ্চা কৰি থৈ যোৱা অসমীয়া ভাষা-সাহিত্যত পুনৰ বিশ্লেষণ সংশোধন আৰু সেইবোৰৰ পৰা নতুন সৃষ্টিৰ প্ৰয়াস কিমান গৰাকী অসমীয়াই কৰিছে সেইকথা ভবাৰ প্ৰয়োজন আছে।

অসমীয়া ভাষা আৰু সাহিত্যৰ বাবে এটা গুৰুত্বপূৰ্ণ দিশ হ'ল আজিকালি সাহিত্য চৰ্চা কৰা লোকৰ সংখ্যা বহুত বৃদ্ধি হৈছে। বিভিন্ন কাব্য পুথি, প্ৰবন্ধ পুথি, গ'ল। গল্প-উপন্যাসৰ লগতে অন্যান্য গ্ৰন্থ যথেষ্ট পৰিমাণে সৃষ্টি হৈছে। সেইবোৰে লগে লগে বজাৰ, অনুষ্ঠান, ব্যক্তি, সংগঠন আৰু বিভিন্ন মিডিয়াৰ জৰিয়তে হাইলাইট হৈ পৰাও দেখা গৈছে। বহুতে প্ৰতিযোগিতাৰ বজাৰত উচ্চ সাহিত্য আৰু সাহিত্যিক ৰূপে স্বীকৃতিও লাভ কৰিছে। সেইবোৰক লৈ আমি নিৰুৎসাহিত কৰিবলৈও নাযাও।

কিন্তু সেইবোৰ কোনে চালি-জাৰি চাই ভুল শুধৰাই দিব? নতুবা বিশ্লেষণ মূলক সমালোচনা কৰিবলৈ আছে কোন? প্ৰতিযোগিতাৰ বজাৰত সকলোৱে নিজকে প্ৰতিষ্ঠিত কৰাৰ যি প্ৰয়াস তাত পাঠকেই বা হ'ব কোন? সাহিত্য আৰু সাহিত্যিকৰ হিতৰ বাবে ভুল-শুদ্ধ আঙুলিয়াই দিবলৈ আগবাঢ়ি আহিব? তেনে অসমীয়া কিমান গৰাকী ওলাব তাত সন্দেহৰ অৱকাশ আছে নে নাই সকলোৱে ভাবি চাবলগীয়া কথা।

* সাহিত্য এতিয়া ব্যৱসায়িক দিশত-

এইষাৰ বিতৰ্কমূলক কথা আগবঢ়োৱা জন সমালোচনাৰ পাত্ৰ হ'ব নতুবা জবাবদিহি হ'ব নিশ্চয়। আমি দুখীয়া নিমাখিত ব্যক্তি। আমাৰ পিছফালে প্ৰভাৱশালী ব্যক্তি, অৰ্থ আৰু আমাৰ বাকপটুতা গুণো নাই বুলিয়েই যে অসমীয়া ভাষাক ধ্বংসৰ পথলৈ ঠেলি দিব পাৰিম তেনে নহয়। মুখৰ মাত ভালদৰে ওলোৱাৰ পৰাই অসমীয়া ভাষাক ভাল পাওঁ। শৈশৱতে এক দুখ লগা পৰিৱেশত বা পিছপৰা অঞ্চলত থাকিও টাউনীয়া পথত পৰিথকা কাগজৰ টুকুৰা বুটলি অসমীয়া শব্দ সংগ্ৰহ কৰাৰ সেই (লাজ লগা) অথচ মধুৰ স্মৃতি আজিও হৃদয়ত বাজি উঠে। তেনে স্থলত যদি আমি সাহিত্যিক কিছুমান সংগঠনৰ অন্তৰ্ভুক্ত কৰি হকে নহকে লিখিবলৈ দি টকা সংগ্ৰহ কৰাৰ মাধ্যম ৰূপে লওঁ তেতিয়া সাহিত্যৰ মানদণ্ড জানো উন্নত হ'ব? সকলো কামতে অৰ্থৰ প্ৰয়োজন হয়, ই নিশ্চিত তথাপিও আৰ্থিক দিশটোৱেই যদি প্ৰধান উদ্দেশ্য হয় তেন্তে সাহিত্যিক সৌন্দৰ্য লাঘৱ হ'ব। বিজ্ঞসকলে দি যোৱা অমূল্য সম্পদ অসমীয়া ভাষা সাহিত্য আজি অপমৃত্যুৰ দুৱাৰ দলিত। ইয়াৰ বাবে আমি সকলোৱে কিঞ্চিৎ হ'লেও দায়ী। বৰ্তমান ভাষা সাহিত্যৰ চৰ্চাত নিমগ্ন সদাশয় সাহিত্যকসকলে যদি নিজৰ প্ৰচাৰমুখীতাৰ পৰা এধানি সময় উলিয়াই অসমীয়া ভাষাৰ উন্নতিৰ বাবে নতুন প্ৰজন্ম আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত ইয়াৰ প্ৰশিক্ষণ দিবলৈ চেষ্টা কৰে তেতিয়া ছাত্ৰ-ছাত্ৰীৰ অসমীয়া ভাষাৰ ক্ষেত্ৰত থকা অপৰিপক্কতা, অনিহা কিছু হ'লেও কমিব বুলি ভাবিছোঁ।

*ভাষা আৰু সাহিত্যৰ শিক্ষক, অভিভাৱক আৰু অসাধু ব্যৱসায়ীৰ দায়িত্ব-

বৰ্তমান সময়ত অধ্যয়নৰ প্ৰতি অনাসক্ত ছাত্ৰ ছাত্ৰীসকলৰ এচামে বিনা কষ্টেৰে পৰীক্ষা দি ভাল ফলাফল বিচৰাৰ যি মানসিকতা তাৰ বাবেও অসমীয়া ভাষা সাহিত্যৰ যথেষ্ট ক্ষতি সাধন হোৱা যেন অনুভৱ হয়। অভিভাৱকসকলে নিজৰ সন্তানে কি শিকিলে তাতকৈ পৰীক্ষাত নম্বৰ কেনেকৈ পাব তাৰ ওপৰতহে অধিক গুৰুত্ব দিয়া পৰিলক্ষিত হয়। ছাত্ৰ ছাত্ৰী আৰু অভিভাৱকৰ এনে মনোবৃত্তিৰ সুবিধা লৈয়ে এচাম দুষ্ট চক্ৰই বজাৰত সস্তীয়া সহায়িকা পুথিৰ ৰমৰমীয়া বেহাৰে অৰ্থ উপাৰ্জন কৰিছে। পৰীক্ষা গৃহত সৰু সৰু আখৰৰ মিনিবুক লৈ ছাত্ৰ-ছাত্ৰীয়ে অসৎ উপায়েৰে পৰীক্ষা দিবলৈ প্ৰস্তুত হৈ আহে। তেনে সহায়িকাৰ ঠাইত আমি যদি এখন অসমীয়া ব্যাকৰণ অতি সুন্দৰ ভাৱে প্ৰকাশ কৰোঁ তেতিয়া সেইখন পুথি বজাৰত বিক্ৰী নহয়। কিয়নো কম সময়ত সহজতে ফলাফল বিচৰা অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীয়ে বুজি নাপায় যে ভাষা এটা ভালদৰে শিকিবলৈ হ'লে যে ব্যাকৰণ জনাটো নিতান্তই প্ৰয়োজনীয় কথা। এনেবোৰ কথা কিছুবছৰ আগতে শিক্ষা ব্যৱস্থাত বাধ্যতামূলক আছিল আৰু শিক্ষক, শিক্ষাৰ্থী তথা অভিভাৱকসকলো সতৰ্ক আছিল। সেয়ে এজন বিজ্ঞানৰ ছাত্ৰৰো অসমীয়া ভাষা অসমীয়া ব্যাকৰণৰ জ্ঞান যথেষ্ট আছিল। উদাহৰণ স্বৰূপে যোৰহাট কৃষি বিশ্ববিদ্যালয়ৰ বৈজ্ঞানিক ডঃ বিপুল ডেকা এগৰাকী বিজ্ঞানৰ ছাত্ৰ হৈও অসমীয়া ভাষা সাহিত্যৰ লগতে সংগীত সংস্কৃতিৰ জগতখনতো সমানে দখল থকা পৰিলক্ষিত হৈছে।

অসমীয়া ভাষা সাহিত্যৰ উন্নতি সাধন কৰিবলৈ হ'লে শিক্ষকসকলৰো যথেষ্ট দায়িত্ব আছে। শিক্ষকে অভিভাৱকৰ সৈতে সংযোগ ৰাখি শিক্ষাৰ্থীক ভাষা জ্ঞান দিয়াৰ পৰিৱৰ্তে যদি ছাত্ৰ ছাত্ৰীসকলৰ ধ্বংস স্বৰূপ মিনি নোট বুক বজাৰত উলিয়াই দিয়ে তেতিয়া অসমীয়া ভাষা আৰু লোকৰ কিবা লাভ হ'ব জানো?

## তুমি

দৰিনা পায়ুন, মাজুলী



ৰাতি চকু বন্ধ কৰিলেও টোপনি নাহে।
নিঃশব্দ সময়বোৰত হঠাতে তোমাৰ কথা মনত পৰে-
আৰু আঙুলিটো নিজে নিজেই তোমাৰ নামত গৈ থমকি ৰয়।
মই লিখোঁ-"তুমি ভালেই আছা নে?"
পিছে পঠাব নোৱাৰোঁ...
কাৰণ এতিয়া আমাৰ মাজত কথা পতা নহয়,
এটা অদৃশ্য দূৰত্ব আছে-
যি দূৰত্বত শব্দবোৰো হেৰাই যায়।
মই ভাবোঁ-
তুমি হয়তো এতিয়া সুখত আছা,
নতুন মানুহৰ লগত কথা পাতি আছা..
আৰু মই?
মই এতিয়াও পুৰণি স্মৃতিবোৰত বন্দী হৈ আছোঁ।
মই সুধিব খোজোঁ-
তুমি সঁচাকৈয়ে মোক পাহৰি গ'লা নে?
নে কেৱল দেখুৱাইছা যে পাহৰি গ'লা?
শেষত নিঃশব্দ হৈ ৰওঁ...
আৰু সেই প্ৰশ্নটো
আকৌ এবাৰ মনৰ ভিতৰতেই ৰাখোঁ।

## প্ৰত্যাহ্বান



দুলুমণি দেৱী,মাকুম

নিজৰ ৰাস্তাত সঠিকমতে কাম কৰিব বিচাৰিলেও সন্মুখত এনে কিছুমান প্ৰত্যাহ্বান আহি পৰে যে সেইবিলাক অতিক্ৰম কৰিবলৈ হ'লে নিজৰ স্থিতি সবল কৰিবলগা হয়। সমাজত যেতিয়া যিকোনো ভাল কাম কৰিবলৈ যোৱা হয় পিছফালে টনা মানুহৰ সংখ্যাও যথেষ্ট ওলায়, কিন্তু সেইচাম মানুহক চিনি পোৱাটো অতি জটিল কাম। কাৰণ তেওঁলোকে মুখৰ আগত মিঠা মাতেই দি থাকিব, ভিতৰি কিন্তু বিভেদৰ বীজ সিঁচে। সমাজত আমি জানো যে দুটা দিশ থাকেই ভাল আৰু বেয়া। ঠিক তেনেকৈ মানুহৰ মাজতো এচাম ভাল মানুহ, এচাম বেয়া মানুহ থাকে বুলি শুনি থাকো। সেই শুনাখিনি

(বাৰপৃষ্ঠাত চাওক)

(বিশ্ব জল দিৱস উপলক্ষে)

বন্দিতা শৰ্মা কন্দলি

# পানীঃ এক অমূল্য সম্পদ




'পানীয়েই প্ৰাণ।' জীৱনধাৰণৰ বাবে পানী অপৰিহাৰ্য। আমি আহাৰ গ্ৰহণ নকৰাকৈ কেইবাদিনো জীয়াই থাকিব পাৰিলেও পানী অবিহনে জীয়াই থাকিব পাৰিম নে বাৰু! নিশ্চয় নোৱাৰি! পৃথিৱীৰ উপৰিভাগৰ প্ৰায় ৭১% ভাগ পানীৰে আবৰি আছে যদিও ব্যৱহাৰৰ উপযোগী পানীৰ পৰিমাণ ১% ত কৈয়ো কম। জনসংখ্যাৰ বৃদ্ধি, জলবায়ু পৰিৱৰ্তন আদি বিভিন্ন কাৰণত এই প্ৰাকৃতিক সম্পদ পানী ক্ৰমান্বয়ে হ্ৰাস পাই আহিছে। কিছু কিছু ঠাইত পানীৰ অতিশয় অভাৱে দেখা দিছে। সেয়ে ঘৰতেই হওঁক বা বিদ্যালয়তে হওঁক মা-দেউতা আৰু ছাৰ-বাইদেউ সকলে পানী অপচয় নকৰিবলৈ প্ৰায়ে উপদেশ দিয়ে নহয় নে বাৰু!

জনসাধাৰণৰ মাজত পানী সংৰক্ষণৰ বিষয়ে সজাগতা আনিবৰ বাবে ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদে ১৯৯২ চনত প্ৰতি বছৰে ২২ মাৰ্চ তাৰিখে 'বিশ্ব জল দিৱস ' পালন কৰিবৰ বাবে সৰ্বসন্মতিক্ৰমে প্ৰস্তাৱ গ্ৰহণ কৰিছিল। সেই মৰ্মেই ১৯৯৩ চনৰ পৰা এই দিৱস পালন কৰি অহা হৈছে। প্ৰতি বছৰে এটা বিশেষ বিষয় নিৰ্বাচিত কৰি সেই বিষয়টোৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হয়। ২০২৬ চনৰ বিশ্ব জল দিৱসৰ মূল বিষয়বস্তু হৈছে 'পানী আৰু লিংগ ' (Water and Gender)। এই বিষয়বস্তুৰ দ্বাৰা পানীৰ ব্যৱস্থাপনা আৰু সিদ্ধান্ত গ্ৰহণত নাৰীৰ সমান অধিকাৰ আৰু নেতৃত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। এই বছৰৰ জল দিৱসৰ মূল মন্ত্ৰ হৈছে "য'ত পানী বয়, তাতেই সমতা গঢ়ি উঠে।" পানীৰ অভাৱত হোৱা বৈষম্য হ্ৰাস কৰি লিংগ বৈষম্যহীন সমৃদ্ধ ভৱিষ্যৎ গঢ়ি তোলাই হৈছে এই দিৱসৰ লক্ষ্য।

এই দিৱসৰ জৰিয়তে পানী সংৰক্ষণ আৰু ইয়াৰ সমতাপূৰ্ণ বিতৰণৰ প্ৰয়োজনীয়তাৰ ওপৰত বিশ্বজুৰি সজাগতা সৃষ্টি কৰাৰ প্ৰয়াস কৰা হৈছে। পানীৰ অধিকাৰক লৈ সাধাৰণ মানুহৰ উপৰিও দেশসমূহৰ মাজতো বিবাদ হোৱা দেখা যায়। ভাৰতবৰ্ষ আৰু চীনৰ মাজত ব্ৰহ্মপুত্ৰ নদীক কেন্দ্ৰ কৰি বিবাদৰ সূত্ৰপাত হৈ আছে। অৰ্থাৎ যেতিয়াই পানীৰ নাটনি হয় বা পানীৰ প্ৰদূষণ হয় বা পানীৰ বিতৰণত অসমতা হয়, তেতিয়াই বিভিন্ন ৰাষ্ট্ৰ আৰু সম্প্ৰদায়ৰ মাজত উত্তেজনাৰ সৃষ্টি হয় আৰু সামাজিক অস্থিৰতাই দেখা দিয়ে।

জলসংৰক্ষণেই হৈছে একমাত্ৰ নিৰ্ভৰযোগ্য উপায় য'ত নিৰ্মল পানীক বহনক্ষম ভাৱে ব্যৱহাৰ কৰা, জলমণ্ডলক সুৰক্ষিত কৰা আৰু বৰ্তমান আৰু ভৱিষ্যতৰ চাহিদা পূৰণৰ বাবে সকলো নীতি, আৰু কাৰ্যকলাপ অন্তৰ্ভুক্ত হৈ আছে। পানী সংৰক্ষণৰ মূল কাৰ্যকলাপ হৈছে পানী অপচয় ৰোধ কৰা, পানীৰ পুনৰ ব্যৱহাৰ কৰা, বৰষুণৰ পানী সংগ্ৰহ আৰু ব্যৱহাৰ কৰা আদি। যিহেতু পানী অবিহনে পৃথিৱীত জীৱ জীয়াই থকা সম্ভৱ নহয় গতিকে পানী বচাই ৰখাতো প্ৰতিজন ব্যক্তিৰে প্ৰধান কৰ্তব্য। সেয়ে আমি সকলোৱে পৰাই পানীৰ ব্যৱহাৰত সতৰ্ক হোৱা উচিত।

# নাৰী তোমাৰ মহিমা অপাৰ



ৰীমা গায়ন বৰা ,নাওকটা, মৰিগাঁও

জন্মতে তুমি এখন ঘৰৰ লখিমী
আদৰেৰে সাৱটি ৰাখি ঘৰখনি
চেনেহৰ বুটা বচা এনাজৰীত
আপোন পাহৰা হৈ সুখৰ সঁফুৰা সাজি
শিক্ষাৰে আলোকৰ যাত্ৰা কৰি
দূৰ দিগন্তলৈ বিয়পাই সু-কীৰ্তি
আন্ধাৰ আঁতৰাই পোহৰ সন্ধানী
বিভিন্ন উপমাৰে বিভূষিতা মহীয়সী নাৰী ।
জোন জ্বলা কপালত হাঁহিৰ
মুকুতা মণি সৰে
নৱ জীৱনৰ সান্নিধ্য লভে মৰহা ফুলে
অজ্ঞাত ভাৱে আৰম্ভ হোৱা
জীৱন যাত্ৰা সাৱটি !
নাৰী তোমাৰ মহিমা অপাৰ
উন্মুক্ত পক্ষীৰ দৰে উৰা মৰা সপোন
অতীতবোৰ সোঁৱৰণিৰ পৃষ্ঠাত সামৰি
নিতৌ ন-ন আশাৰ সঞ্চাৰ কৰি
ভৱিষ্যতৰ দিশে ধাৱমান হোৱা জীৱন
শৈশৱ, যৌৱন থাকোঁতে তুমি মায়াৱী শক্তি ।
বৰ্তমানত খোজ পেলাই
ভৱিষ্যতৰ সপোন বাস্তৱ
ৰূপায়নৰ দিশত ধাৱমান
জন্মদাত্ৰী, অন্নদাত্ৰী, শিক্ষয়িত্ৰী
তুলনা বিহীন তোমাৰ উক্তি
নাৰী তোমাৰ মহিমা অপাৰ ।

# প্ৰথম প্ৰেমৰ আস্বাদন



দেৱানন কটকী, মাজুলী

দেৱাশিসৰ আজি বৰ ফুৰ্তি, প্ৰাই ডেৰ বছৰৰ মূৰত তাৰ প্ৰেমিকা ৰিমাক সি লগ কৰিব। হাতত বেগটো লৈ সি ডিব্ৰুগড় ইউনিভাৰ্চিটি লৈ যাত্ৰা কৰিলে। মাজুলীৰ পৰা যাত্ৰা সেইকাৰণে অলপ কষ্ট হব তাৰ। কিন্তু প্ৰেমে বোলে কষ্ট কি একোকে নামানে, তাৰ মনত কষ্টৰ কোনো অনুভৱেই নহল। নাৱৰ পৰা যাত্ৰা আৰম্ভ কৰি ৰাস্তাৰে বহুত দূৰবাট। মাজুলীৰ পৰা ডিব্ৰুগড় ধেমালি টো নহয়। ৰাস্তাত যাওঁতে সি প্ৰতিটো ক্ষণত কেৱল তাৰ প্ৰেমিকা ৰিমাৰ কথাই অনবৰতে ভাবি গ'ল ।ৰাস্তা ত দেখা বিভিন্ন ঠাই বোৰ ত যেন সি তাৰ প্ৰেমিকা ৰ চিত্ৰ হে দেখি গৈছে, তাৰ তেনেকুৱা অনুভৱ হল। দীঘলীয়া যাত্ৰাতেই তাৰ প্ৰেম কাহিনী যেন তাৰ চকুৰ আগত ভাহি আহিল।

কলেজৰ বি. এ এডমিশ্যনৰ প্ৰথম দিন, সি তাৰ পুৰণা বন্ধু বাপধন, আৰু অনুৎপল আৰু প্ৰদীপ ৰ লগত মাজুলী কলেজ ত উপস্থিত হৈছে। বৰ লৰা লৰিকৈ এডমিশ্যনৰ ফ্ৰম ফিলাপ ত লাগিছে। ষ্টুডেন্ট ৰ বৰ ভিৰ । তাৰ আকৌ বেলেগ লৰাৰ দৰে ছোৱালীৰ প্ৰতি কোনো গুৰুত্ব নাই। ৰাজনীতি বিজ্ঞান বিভাগ ত নামভৰ্তি কৰিছে সি। প্ৰদ্বীপ, সি, আৰু বাপধন তিনিটাই একেই ডিপাৰ্টমেণ্ট তে এডমিশ্যন লৈছে। আনুৎপল ৰ পাৰ্চেন্টেজ কম বাবে সি সমাজতত্ব বিভাগত এডমিশ্যন ললে ।এডমিশ্যনৰ বাবে প্ৰথম সোমাই যাওঁতেই দেৱাশিসৰ চকু পৰিল এজনী ধুনীয়া, মৰমলগা, ছোৱালী ৰ ওপৰত। তাইক দেখি তাৰ অস্বাভাৱিক যেন অনুভৱ হল। মৰহা ফুলৰ পুলিত পানী দি প্ৰাণ পাই উঠাৰ দৰে অনুভৱ হল। পিছে তাৰ নিজা স্বভাৱ ৰ কাৰণে সি বৰ বেছি গুৰুত্ব নিদিলে। তেনেদৰেই কলেজ ৰ খোলা ৰ দিন আৰম্ভ হল। আকৌ লগ হল তাৰ হৃদ স্পন্দন বহুৱা সেই মৰম লগা ছোৱালী জনী । সি যেন কিছু সময়ৰ বাবে বৈ হে গ'ল। চা চিনাকি হল সকলো, তাৰ কিন্তু তাইৰ পৰা চকু নাতৰিল। এইয়া এক আকৰ্ষণ নাছিল, ই আছিল বেলেগ এক সুকীয়া অনুভৱ। পিছে দেৱাশিস এ নিজকে অস্বাভাৱিক যেন অনুভৱ কৰিলে, মনে মনে সি নিজকে প্ৰশ্ন কৰিলে যে কি হৈছে আচলতে তাৰ লগত । কাকো সি ঘটনা টো নকলে, বাপধন হতে জোকাব বুলি ভয় কৰিলে অলপ। কিন্তু কি কৰিব বেচেৰা কথা পাতিব ও নাজানে নহয়, যে মিঠা কথাৰে ভুলাব পাৰিব সি। লাহে লাহে কলেজৰ দিন বোৰ যেন পাৰহৈ গৈ আছিল। লাহে লাহে কথা বতৰা হল দুয়োৰে মাজত। কিন্তু মনৰ কথা খুলি কবলে লাজ কৰে বেচেৰাই, জানোচা বেয়া পাব।

কলেজৰ নবাগত আদৰণি সভাৰ দিনা জ্যেষ্ঠ সকলৰ দাবী ত সি এটা গান পৰিৱেশন কৰিলে। ৰিমাৰ চকুত সেইদিনা সি প্ৰথম পৰিছে ভাল কে। তাৰ প্ৰতি যেন তাইৰ কিবা ভাল ভাব আহিল। সি তাইৰ তাৰ প্ৰতি অলপ গুৰুত্ব দেখি খৰাং বতৰত বৰষুণ ৰ প্ৰবল বৃষ্টিপাত হোৱা যেন অনুভৱ হল। এনেদৰে তাৰ লগত ৰীমা ৰ বন্ধুত্ব হোৱাৰ দিশত অগ্ৰসৰ হল। ছোৱালীৰ লগত চকুৰে চকুৰে নপৰা দেৱাশিস যেন কাৰোবাৰ প্ৰতি বৰ বেছি আকৃষ্ট হৈ পৰিল। বাপধন আৰু অনোৎপল হতে কথা টো মন কৰিলে । লাহে লাহে সিহঁতে তাৰ মনৰ মালিনী জনী ৰ সন্ধান যেন উলিয়ালে । পিছে তাৰ আগত কবলৈ, জোকাবলৈ অলপ বেয়া পাই সিহঁতে। তথাপিও সিহঁতৰ কথা বতৰা দেখি সময় ৰ লগে লগে জোকাবলৈ আৰম্ভ কৰিলে।

আগলৈ...

# নাৰী দিৱস, নাৰীবাদ আৰু মই



যোৱাখণ্ডৰ পৰা...

মযূৰী বৰগোহাঁই,শিৱসাগৰ

কিন্তু ডিজিটেল স্থানো নিৰাপদ নহয় - ট্ৰোলিং, ডকচিং, চাইবাৰ হেৰেছমেণ্ট, ডীপফেক পৰ্নোগ্ৰাফি - নাৰীৰ বিৰুদ্ধে এই অস্ত্ৰসমূহ ব্যৱহাৰ কৰাৰ উদ্দেশ্য স্পষ্টঃ- তেওঁলোকক নীৰৱ কৰা, ডিজিটেল ৰাজনৈতিক স্থানৰ পৰা বহিষ্কাৰ কৰা। এই নতুন ৰণক্ষেত্ৰত নাৰীবাদৰ সংগ্ৰাম অব্যাহত আছে।

জলবায়ু ন্যায় আৰু নাৰীবাদৰ সংযোগ আৰু এক নতুন মাত্ৰা যোগ কৰিছে । পৰিৱেশীয় সংকটৰ বোজা অসমানভাৱে দুৰ্বলৰ ওপৰতে পৰে আৰু সেই দুৰ্বলৰ মাজত নাৰী আৰু শিশুসকলেই সবাতোকৈ বেছি ক্ষতিগ্ৰস্ত হয়। সেয়েহে প্ৰকৃত পৰিৱেশবাদ নাৰীবাদী হ'বই লাগিব ।

নাওমি উলফৰ "দ্য বিউটি মিথ"এ দেখুৱাইছিল যে সৌন্দৰ্যৰ মানদণ্ড কোনো নিৰীহ সাংস্কৃতিক পছন্দ নহয় - ই এক ক্ষমতাৰ সঁজুলি, যাৰ দ্বাৰা নাৰীক ক্ৰমাগত নিজৰ শৰীৰৰ প্ৰতি অসন্তুষ্ট কৰি ৰখা হয়, যাতে তেওঁলোক প্ৰকৃত মুক্তিৰ সংগ্ৰামৰ পৰিৱৰ্তে নিজৰ "ত্ৰুটিপূৰ্ণ" শৰীৰক "ঠিক" কৰাৰ অন্তহীন প্ৰচেষ্টাত নিমজ্জিত থাকে।

এই সৌন্দৰ্যৰ ৰাজনীতি আমাৰ অসমীয়া সমাজতো গভীৰভাৱে প্ৰোথিত। ফৰ্শা ত্বক, নিৰ্দিষ্ট শৰীৰৰ আকৃতি, নিৰ্দিষ্ট পোছাকৰ ধৰণ - এইবোৰ নাৰীৰ "যোগ্যতা" নিৰ্ণয়ৰ মাপকাঠিত পৰিণত হৈছে। বিবাহযোগ্যতাৰ প্ৰশ্নত শৰীৰকে প্ৰধান মূল্যায়নৰ মাপকাঠি হিচাপে ব্যৱহাৰ কৰাৰ এই পৰম্পৰা নাৰীক তেওঁৰ সমগ্ৰ মানৱিক পৰিচয়ৰ পৰিৱৰ্তে এক শৰীৰ হিচাপেই সংকুচিত কৰি ৰাখে।

নাৰীবাদ এই সংকোচনৰ বিৰুদ্ধে ঘোষণা কৰে -প্ৰতিগৰাকী নাৰীৰ শৰীৰ তাইৰ নিজৰ, আৰু সেই শৰীৰক লৈ কোনো সিদ্ধান্ত কেৱল তাইৰেই ওপৰত।

অ্যাড্ৰিয়েন ৰিচৰ ভাষাত কোৱা হৈছে - "স্বপ্নায়নশক্তিৰ অভাৱেই হ'ল সকলো নিপীড়নৰ প্ৰকৃত সঙ্গী।" নাৰীবাদ যাৰ আছে তাৰ সমালোচনা নহয়, যাৰ হ'ব পাৰে তাৰ কল্পনাও কৰিব লাগে। এক এনে পৃথিৱীৰ কল্পনা কৰিব লাগে য'ত শিশুকালৰ পৰাই ল'ৰা আৰু ছোৱালী উভয়কে শিকোৱা হ'ব - যত্ন আৰু স্বাধীনতা উভয়েই মানৱিক মূল্য, যৌনতাৰ কোনো একচেটিয়া গৃহকৰ্ম নাই, আবেগ প্ৰকাশ কৰাটো দুৰ্বলতা নহয় সাহসিকতা।

অসমীয়া ভূমিত এই কল্পনাক বাস্তৱৰ ৰূপ দিয়াটো কঠিন হ'লেও অসম্ভৱ নহয়। সত্ৰীয়া নৃত্যৰ শিক্ষাত য'ত ল'ৰা আৰু ছোৱালী একেলগে শিক্ষাগ্ৰহণ কৰে, তাত এক সমতাৰ বীজ লুকাই আছে। বিহুৰ লোকাচাৰত য'ত নাৰীও পুৰুষৰ সমান সক্ৰিয় অংশীদাৰ, তাত এক প্ৰাচীন সমতাৰ স্মৃতি আছে। এই সম্পদসমূহকে সঞ্জীৱনী কৰি তুলি, পুনৰ্ব্যাখ্যা কৰি, বৰ্তমানৰ প্ৰয়োজনত প্ৰাসঙ্গিক কৰি তোলাটোৱেই আমাৰ কৰ্তব্য।

মাৰ্চৰ অষ্টম তাৰিখটো আহে। ফুলৰ গুচ্ছ বিনিময় হয়, সামাজিক মাধ্যমত বাৰ্তা ভাহে, অনুষ্ঠান আৰু উদযাপনৰ কোলাহলে পৃথিৱীক আবৃত কৰে । তাৰপিছত সেই তাৰিখটো যায়, আৰু প্ৰতিদিনৰ জীৱন আকৌ চলিবলৈ ধৰে, তাৰ সকলো অসমতা, সকলো অবিচাৰ আৰু সকলো অসম্পূৰ্ণতা লৈ।

তথাপিও এই প্ৰবন্ধ লিখাৰ শেষত মোৰ মনত যি অনুভৱ তীব্ৰ হৈ উঠে, সি হতাশাৰ নহয় - সি এক গভীৰ আশাৰ অনুভৱ। কাৰণ প্ৰতিটো যুগতে যেতিয়া মন কৰা হৈছে যে শোষণৰ কাঠামো অপৰিৱৰ্তনীয়, তেতিয়াই মানৱ ইতিহাসে প্ৰমাণ কৰিছে যে পৰিৱৰ্তন সম্ভৱ। দাসত্বৰ অৱসান সম্ভৱ হৈছিল। ঔপনিৱেশিকতাৰ অৱসান সম্ভৱ হৈছিল। পুৰুষতন্ত্ৰৰ অৱসানও সম্ভৱ - কাৰণ ইও আন দুটাৰ দৰেই এক ঐতিহাসিক নিৰ্মাণ, কোনো শাশ্বত সত্য নহয়।

নাৰী দিৱস, নাৰীবাদ আৰু এই "মই" - তিনিওটা শব্দ একত্ৰিত হ'লে এক অদ্ভুত সত্য উন্মোচিত হয় । প্ৰতিটো ব্যক্তিগত মুক্তিয়েই এক সামষ্টিক পৰিৱৰ্তনৰ অংশ, আৰু প্ৰতিটো সামষ্টিক পৰিৱৰ্তন আচলতে লক্ষ লক্ষ ব্যক্তিগত মুক্তিৰ সমষ্টি। এই বৃত্তাকাৰ সম্পৰ্কৰ ভিতৰতেই নাৰীবাদৰ জীৱনীশক্তি নিহিত।

যি পৃথিৱীৰ কল্পনা আমি কৰোঁ - য'ত প্ৰতিটো শিশুৱে তাৰ লিংগ নিৰ্বিশেষে সমান স্বপ্ন দেখিব পাৰে, য'ত প্ৰতিটি নাৰী নিজৰ "মই" শব্দটো উচ্চাৰণ কৰিবলৈ ক্ষমা নুখুজিব, য'ত প্ৰতিজন পুৰুষ সংবেদনশীলতাক দুৰ্বলতা বুলি নলৈ মানৱতাৰ শক্তি বুলি চিনিব পাৰে - সেই পৃথিৱী কেৱল নাৰীৰ পৃথিৱী নহয়, প্ৰতিটো সংবেদনশীল মানৱসত্তাৰ পৃথিৱী ।

সেই পৃথিৱীৰ দিশে যাত্ৰাতেই নাৰী দিৱসৰ প্ৰকৃত মৰ্যাদা। সেই যাত্ৰাত মোৰো একোটি পদক্ষেপ এই প্ৰবন্ধটো । তোমাক যি নহ'বা বুলি কোৱা হৈছিল, ঠিক সেইটোৱেই হোৱা, এয়াই নাৰীবাদৰ চিৰন্তন আহ্বান। কিয়নো -

"নিজকে চিনি পোৱাটোৱেই বিপ্লৱৰ আৰম্ভণি।" - অড্ৰে লৰ্ড

# বিশ্ব কবিতা দিৱস ২১মাৰ্চ আৰু

পৰা বিংশ শতিকাৰ প্ৰথম চাৰিটা দশকৰ ভিতৰত অসমীয়া কবিতাৰ বন্যাই ব্যাপক ৰূপ লোৱাৰ পিছত অসমীয়া কবিতাৰ গতি আৰু প্ৰকৃতি সলনি হ'বলৈ ধৰে। সময়ৰ ঐতিহাসিক ঘটনাবোৰৰ প্ৰত্যক্ষ আৰু প্ৰভাৱৰ ফলত অসমীয়া কবিতাই ৰোমান্টিক আৱেষ্টনীৰ পৰা ওলাই আনি কবি সকলে আধুনিক ৰূপত উপস্থাপন কৰে।

কবিতাৰ ক্ষেত্ৰত আধুনিকীকৰণ সহজ সাধ্য নহয়। কবিৰ মনৰ জগত পাঠকৰ ৰুচি-অভিৰুচি মনৰ মাজত একে সময়তে ভুমুকি মাৰে চিন্তা অনুভূতিৰ আদান-প্ৰদান ঘটে তেতিয়া আধুনিক কবিতাৰ স্বীকৃতি পাই আৰু সেইবোৰ কবিতাতে আধুনিক কবিতা বোলে। আধুনিক কবিতাবোৰ যদি অধ্যয়ন কৰো কবিসকলৰ কিছু ধাৰা দেখিবলৈ পাওঁ।

১) প্ৰতীক আৰু চিত্ৰকল্পবাদী ধাৰা ।
২) মাৰ্ক্সীয় চিন্তাৰ ধাৰা।
৩) নিঃসঙ্গতা আৰু বিচ্ছিন্নতাবোধেৰে সমৃদ্ধ কবিতাৰ ধাৰা।
৪) অন্তৰ্মুখী কবিতাৰ ধাৰা।
৫) লোকজীৱন আৰু সংস্কৃতিৰ ধাৰা।
৬) নব্য -ৰোমান্টিক ভাৱ প্ৰৱণতাৰ ধাৰা।

বিশিষ্ট কবি সাহিত্যিক নৱকান্ত বৰুৱাৰ কবিতাৰ বিষয়বস্তু আৰু আঙ্গিকত অভিনৱত্ব, ভাববস্তু আৰু ৰূপবস্তু এক অপূৰ্ব সমন্বয় পৰিলক্ষিত হয়। প্ৰতীক আৰু চিত্ৰকল্পৰ সাৰ্থক প্ৰয়োগ তেওঁৰ কবিতাত অনুভৱ কৰো।

হেম বৰুৱা, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য ইত্যাদি বিশিষ্ট কবি সাহিত্যিকৰ কবিতাত মাৰ্ক্সীয় ভাবধাৰাৰে সিক্ত সমাজ সচেতন দৃষ্টিভংগীৰ পৰিচয় পোৱা যায়।

এগৰাকী বিশিষ্ট কবি হীৰেন্দ্ৰ নাথ দত্তৰ কবিতাৰ নিসংগতাৰ ভাব ফুটি উঠিছে। বিশিষ্ট কবি নীলিম কুমাৰৰ কবিতাত অন্তৰ্মুখী ভাবধাৰাৰ পৰিচয় পাঠক সমাজেবিচাৰি পাইছে । বিশিষ্ট কবি উদয় কুমাৰ শৰ্মাৰ কবিতাত লোক জীৱন আৰু সংস্কৃতিৰ এক নৱ কাব্যৰূপ প্ৰদানৰ প্ৰয়াস কৰা দেখা যায়। বিশিষ্ট কবি প্ৰণৱ কুমাৰ বৰ্মনৰ কবিতাত ৰোমান্টিক ভাৱ-চিন্তাই নতুন ৰূপত আত্মপ্ৰকাশ কৰিছে।

এনেদৰেই চালে দেখা যায় প্ৰতীকবাদ, চিত্ৰকলাবাদ, নৱ ৰোমান্টিক বাদ, সমাজবাদ ইত্যাদি বিবিধ চিন্তাই আধুনিক অসমীয়া কবিসকলৰ কবিতাত প্ৰকাশ পাইছে। আধুনিক অসমীয়া কবিতা বোৰ বুজি পোৱাত ইমান সহজ নহয়। কিছুমান কবিতা পাঠকৰ হৃদয়ৰ মাজেৰে প্ৰৱেশ কৰে আৰু কিছুমান মগজুৰ দুৱাৰেৰে প্ৰৱেশ কৰে। গতিকে হৃদয়ৰ আবেগ মনৰ দাপোণ।

# বসন্ত আহে




সেউজীয়া উদীয়মান সপোন লৈ।
প্ৰকৃতিৰে বুকুত
নৱ জীৱন জাগে।
ফুলে ফুলে সাজে
পথাৰ উপত্যকা,
সুগন্ধিৰে ভৰি পৰে
আকাশ-বতাহ।
কুলিৰ মিঠা মাতত
সুৰ উঠে বননি,
কপৌ ফুলে হাহে
সেউজীয়া ডালত।
পখিলাৰ ৰঙেৰে
সজে বসুন্ধৰা,
আনন্দৰ ঢৌ উঠে
প্ৰতিটো মনত।
শীতৰ বিশাদ আতৰাই
নি আনে উষ্ণ স্নেহৰ বাতৰি।
বসন্ত মানে
আশা আৰু সপোন,
নতুন দিনৰ
মিঠা আৰম্ভণি।

# তামুলপুৰত বিশ্বজিৎ দৈমাৰী

সাংবাদিকে সোধা এক প্ৰশ্নৰ উত্তৰত তেওঁ কয়, নিৰ্বাচনত সকলোৱে অংশ ল'ব পাৰে, সাংবাদিকেও পাৰে। ইপিনে সমষ্টিটোৰ বাবে ইউপিপিএলৰ প্ৰক্ষেপিত প্ৰাৰ্থী দলৰ সভাপতি তথা বিটিচিৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱেও মনোনয়ন-পত্ৰ দাখিল কৰে। মনোনয়ন-পত্ৰ দাখিলৰ পূৰ্বে দলৰ নেতা-কৰ্মী আৰু সমৰ্থকসকলেও এক বিশাল ৰেলী উলিয়ায়। দলৰ নেতা-কৰ্মী আৰু সমৰ্থকসকলে 'ইউপিপিএল জিন্দাবাদ, প্ৰমোদ বড়ো জিন্দাবাদ, ইউ জি ব্ৰহ্ম জিন্দাবাদ' আদি ধ্বনি দিয়ে। মনোনয়ন-পত্ৰ দাখিলৰ সময়ত প্ৰমোদ বড়োক সংগ দিয়ে তেওঁৰ পত্নী পাৰ্বল ভৰালী বড়ো, মন্ত্ৰী ইউ জি ব্ৰহ্মা, বিধায়ক জলেন দৈমাৰী আদিয়ে। মনোনয়ন-পত্ৰ দাখিলৰ অন্তত প্ৰমোদ বড়োৱে সংবাদ মাধ্যমৰ আগত কয়, আমাৰ কোনো ৰাজনৈতিক দলৰ লগত বিৰোধ নাই। আনকি হাগ্ৰামা মাহিলাৰীৰ লগতো ব্যক্তিগত শত্ৰুতা নাই। প্ৰমোদ বড়োৱে আকৌ কয়, আমাৰ দলৰ সিদ্ধান্ত চূড়ান্ত সিদ্ধান্ত, আমাৰ দ্বিতীয় কোনো সিদ্ধান্ত নাই। মই মনোনয়ন-পত্ৰ উঠাই লোৱাৰ কোনো প্ৰশ্নই নাই। আমি বিটিচিৰ ১৫টা আৰু বিটিচিৰ বাহিৰৰ ৫টা সমষ্টিত প্ৰাৰ্থী প্ৰক্ষেপ কৰিছোঁ। তাৰে ভিতৰত আমি ১০ৰ পৰা ১২খন আসন লাভ কৰিম। ৰাজ্য চৰকাৰত আমি ডাঙৰ ভূমিকা ল'ম।

# অগপৰ সকলো বিষয়-বাব

গুৱাহাটী সমষ্টিটো অগপ নেতৃত্বই বিজেপিৰ পৰা নিজৰ দখলত ৰাখিব নোৱাৰিলে। সমষ্টিটো বিজেপিয়ে মিত্ৰদল অগপক নিদি নিজৰ প্ৰাৰ্থী দিলে। বিজেপিয়ে মধ্য গুৱাহাটীত দলৰ জ্যেষ্ঠ নেতা বিজয় গুপ্তাক প্ৰাৰ্থিত্ব প্ৰদান কৰে। যাক লৈ ক্ষোভিত হৈ পৰা বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই পদত্যাগ কৰে। উল্লেখ্য যে টিকট পাম বুলি নিশ্চিত হৈ থকা বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই মধ্য গুৱাহাটী সমষ্টিত দিনে-নিশাই প্ৰচাৰ অভিযান চলাই আহিছিল। শেহতীয়াকৈ সমষ্টিটোৰ অন্তৰ্গত আৰ্য কলেজৰ খেলপথাৰত মধ্য গুৱাহাটী সমষ্টিৰ উদ্যোগত আয়োজন কৰা বিশাল সংকল্প সমাৰোহত অগপৰ নেতৃত্বই ৰমেন্দ্ৰ নাৰায়ণ কলিতাক সমষ্টিটোৰ প্ৰাৰ্থী হিচাপে ঘোষণা কৰি ৰাইজৰ সহায়-সহযোগিতা বিচাৰিছিল। কিন্তু তাৰ পিছতো ৰমেন্দ্ৰ নাৰায়ণ কলিতা বঞ্চিত হ'ল। বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই দলৰ সকলো বিষয়বাব ত্যাগ কৰিলে যদিও দলৰ প্ৰাথমিক সদস্য পদ ত্যাগ কৰা নাই। দলৰ সভাপতিলৈ দিয়া পদত্যাগ-পত্ৰত বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই কয় যে দলীয় সম্ভাষণ জনালোঁ। যোৱা ৪০ বছৰে দলৰ এগৰাকী সদস্য হিচাপে বিভিন্ন বিষয়বাবত থাকি কৰ্তব্য নিষ্ঠাৰে পালন কৰি পশ্চিম গুৱাহাটী সমষ্টিৰ (বৰ্তমান মধ্য গুৱাহাটী) বিধায়ক হিচাপে নিৰ্বাচিত হৈ অগপ দলৰ ধ্বজা গৌৰৱেৰে উৰুৱাই ৰখাৰ পিছতো একমাত্ৰ গুৱাহাটীৰ আসনখনত মোক যোগ্য প্ৰাৰ্থী হিচাপে দলৰ নেতৃত্বই স্বীকৃতি নিদিয়াত মই অতিকে দুখ আৰু বেদনাৰে দলৰ সকলো বিষয়বাবৰ পৰা অব্যাহতি বিচাৰি পদত্যাগ-পত্ৰ অৰ্পণ কৰিলোঁ। যিহেতু জন্মলগ্নৰে পৰা দলৰ লগত জড়িত আছিলোঁ, গতিকে এজন প্ৰাথমিক সদস্য হিচাপে থাকি দলৰ উন্নতি কামনা কৰি যাম।

# বিজেপিৰ ৮৮জনীয়া প্ৰাৰ্থী

লগতে মহিলাৰ প্ৰতিনিধিত্ব এইবাৰ উল্লেখনীয়। ২০২১ চনৰ নিৰ্বাচনত মাত্ৰ দুগৰাকী মহিলা বিধায়ক হিচাপে নিৰ্বাচিত হৈছিল। এইবাৰ তালিকাত ৬গৰাকী মহিলাক প্ৰাৰ্থিত্ব প্ৰদান কৰা হৈছে। অহা ২০২৯ চনৰ লোকসভা নিৰ্বাচনত ৩৩ শতাংশ মহিলাই প্ৰাৰ্থিত্ব লাভ কৰিব। প্ৰকাশ হোৱা এই তালিকাক লৈ দলীয় কাৰ্যকৰ্তাসকল যথেষ্ট উৎসাহী বুলিও মন্তব্য কৰে মুখ্যমন্ত্ৰীয়ে। তেওঁ কয়- আমি সকলোৱে পৰা ইতিবাচক বাৰ্তা পাইছোঁ। মই বিশ্বাস কৰোঁ, এই তালিকাখনক সাৰথি কৰি বিজেপিয়ে এইবাৰ নিৰ্বাচনত যথেষ্ট সুন্দৰ ফলাফল দেখুৱাবলৈ সক্ষম হ'ব। উল্লেখ্য যে প্ৰাৰ্থী তালিকা প্ৰকাশৰ পাছতে বাজপেয়ী ভৱনত উপস্থিত হোৱা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যিক সভাপতি দিলীপ শইকীয়াৰ পৰা মনোনয়ন দাখিলৰ বাবে এ-বি ফৰ্ম সংগ্ৰহ কৰে। প্ৰাৰ্থিত্বৰ পৰা বঞ্চিত হোৱা এই বিধায়কসকলৰ ভিতৰত আছে দিছপুৰ সমষ্টিৰ অতুল বৰা, পূব গুৱাহাটী সমষ্টিৰ সিদ্ধাৰ্থ ভট্টাচাৰ্য, হাফলঙৰ নন্দিতা গাৰ্লোছা, বিহপুৰীয়াৰ অমিয় কুমাৰ ভূঞা, পলাশবাৰীৰ হেমাংগ ঠাকুৰীয়া, বিশ্বনাথৰ প্ৰমোদ বৰঠাকুৰ, বৰছলাৰ গণেশ লিম্বু, বিহালীৰ দিগন্ত ঘাটোৱাল, হোজাইৰ ৰামকৃষ্ণ ঘোষ, বোকাজানৰ ডাঃ নোমল মমিন, শিলচৰৰ দ্বৈপায়ন চক্ৰৱৰ্তী, বিজনীৰ অজয় ৰায়, উদাৰবন্দৰ মিহিৰ কান্তি সোম, ডিফুৰ বিদ্যাছিং ইংলেং, হাওৰাঘাটৰ দৰছিং ৰংহাং, বৈঠালাংছ'ৰ ৰূপছিং টেৰণ আৰু ভবানীপুৰৰ ফণীধৰ তালুকদাৰ। তালিকা প্ৰকাশৰ পূৰ্বেই ইতিমধ্যে দুলীয়াজান আৰু মাহমৰা সমষ্টিৰ দুই বিধায়ক ক্ৰমে তেৰছ গোৱালা, যোগেন মহনক এইবাৰ প্ৰাৰ্থিত্ব নিদি ৰাজ্যসভালৈ নিৰ্বাচিত কৰা হৈছিল। উল্লেখ্য যে ৰাজ্যসভাৰ পূৰ্বৰ সাংসদ ৰামেশ্বৰ তেলীক তেৰছ গোৱালাৰ পূৰ্বৰ সমষ্টি দুলীয়াজানত এইবাৰ প্ৰাৰ্থিত্ব প্ৰদান কৰা হৈছে। ইফালে বিজেপি প্ৰাৰ্থী তালিকাত স্থান লাভ কৰা ৬ মহিলাৰ ভিতৰত আছে বীৰছিং-জকৰা সমষ্টিত মাধৱী দাস, চমৰীয়া সমষ্টিত জ্যোৎস্না কলিতা, মঙলদৈ সমষ্টিত নীলিমা দেবী, গোলাঘাট সমষ্টিত অজন্তা নেওগ, ডিফু সমষ্টিত নিছ' তেৰাংপী আৰু হাফলং সমষ্টিত কপালী লাংখাছাই। প্ৰাৰ্থী তালিকা ঘোষণাৰ পিছতে বাজপেয়ী ভৱনত মুখ্যমন্ত্ৰীয়ে একাংশ বিধায়কৰ প্ৰাৰ্থী তালিকা কৰ্তন সন্দৰ্ভত কয়- সমষ্টি পুনৰ নিৰ্ধাৰণৰ বাবে একাংশ বিধায়কৰ প্ৰাৰ্থিত্ব নাকচ কৰাৰ লগতে আন একাংশ বিধায়কৰ স্থানত বিজেপিৰেই পুৰণি কাৰ্যকৰ্তাক স্থান দিয়া হৈছে। বিশেষকৈ নিউ গুৱাহাটী সমষ্টিত প্ৰাৰ্থিত্ব পোৱা দিপ্লুৰঞ্জন শৰ্মাও পুৰণি বিজেপি। বিশেষ পৰিস্থিতিত পৰি সিদ্ধাৰ্থ ভট্টাচাৰ্য প্ৰাৰ্থিত্ব নাপালে। মই পুৰা কথা পাতিছোঁ এইক্ষেত্ৰত কোনো সমস্যা নহয়। একেদৰে শিলচৰ সমষ্টিত প্ৰাৰ্থিত্ব কৰ্তন হোৱা দ্বৈপায়ন চক্ৰৱতীক পূৰ্বৰ সাংসদ তথা এইবাৰ প্ৰাৰ্থিত্ব লাভ কৰা ডাঃ ৰাজদীপ ৰয়ে তেওঁক আনিছিল। গতিকে ৰাজদীপ ৰয় বা দ্বৈপায়ন চক্ৰৱতীয়ে প্ৰাৰ্থিত্ব লাভ কৰাটো একে কথা। একেদৰে দিছপুৰ সমষ্টিৰ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয়- এক বিশেষ ৰাজনৈতিক পৰিস্থিতিত প্ৰদ্যুৎ বৰদলৈক সমষ্টিটোত প্ৰাৰ্থিত্ব প্ৰদান কৰা হৈছে। তেওঁ দুবাৰকৈ নগাঁও সমষ্টিৰ সাংসদ নিৰ্বাচিত হৈছে। কাৰ্যকাল চাৰে তিনি বছৰ থকাৰ পাছতো প্ৰদ্যুৎ বৰদলৈয়ে ত্যাগ কৰি বিজেপিলৈ আহিছে। গুৱাহাটী পৌৰ নিগমৰ পাৰিষদসকলৰ সৈতে আজি আলোচনা কৰিছোঁ, তেওঁলোকে বিজেপিৰ প্ৰক্ষেপিত প্ৰাৰ্থীক সকলোধৰণৰ সহায়-সহযোগিতাৰে নিৰ্বাচনত জয়যুক্ত কৰাব বুলি মোক প্ৰতিশ্ৰুতি দিছে। প্ৰাৰ্থিত্বৰ তালিকা প্ৰকাশৰ পাছতে ক্ষুব্ধ একাংশ বিজেপি নেতাই নিৰ্দলীয়ভাৱে প্ৰতিদ্বন্দ্বিতা কৰিব বুলি কৰা ঘোষণা সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে কয়- অহা ২৩ মাৰ্চৰ ভিতৰত আমি আশা কৰিছোঁ, সকলো এনে ক্ষুব্ধ নেতা-কৰ্মীয়ে তেওঁলোকৰ সিদ্ধান্ত প্ৰত্যাহাৰ কৰিব। আমাৰ দলৰ নেতাসকলে তেওঁলোকৰ লগত আলোচনা কৰিব আৰু মই ভাবো এইক্ষেত্ৰত কোনোধৰণৰ সমস্যা নহয়। আজি প্ৰকাশ কৰা প্ৰাৰ্থী তালিকাক লৈ বিজেপিৰ নেতা- কৰ্মীসকল উৎসাহিত আৰু তৃণমূলৰ এই উৎসাহে দলটোক আগন্তুক নিৰ্বাচনত জয়যুক্ত কৰাবলৈ সক্ষম হ'ব।

# আঘাতৰ বাবে আইপিএলৰ

এইবাৰ আঘাতৰ বাবে আইপিএলৰ পৰা বাদ পৰিল আকাশদীপ। কেকেআৰৰ এজন শীৰ্ষ বিষয়াই আকাশদীপ বাদ পৰাৰ কথা নিশ্চিত কৰিছে। তেওঁ কয় যে আঘাতৰ বাবে আকাশদীপক সমগ্ৰ আইপিএলৰ পৰা বাদ দিয়া হৈছে। যিটো সঁচাকৈয়ে দুৰ্ভাগ্যজনক। যোৱা বছৰৰ মিনি নিলামত কেকেআৰে এককোটি টকাৰ ভিত্তি মূল্যত বাছি লৈছিল ২৯ বছৰীয়া পেচাৰগৰাকীক। ১৮ মাৰ্চৰ পৰা কলকাতাত আৰম্ভ হৈছে দলটোৰ প্ৰশিক্ষণ শিবিৰ। ইপিনে শ্ৰীলংকাৰ পেচ বলাৰ মাথিছা পাথিৰানা কেতিয়া উপলব্ধ হ'ব সেয়া অনিশ্চিত। শ্ৰীলংকাই ব'ৰ্ডৰ পৰা ক্লীয়াৰেঞ্চ বিচাৰিছে যদিও এতিয়াও লাভ কৰা নাই। ২৯ মাৰ্চত কেকেআৰৰ প্ৰথমখন খেল মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে।

# জুবিন গাৰ্গ হত্যাকাণ্ডৰ

দৰ্শায়। আটাইকেইজন অভিযুক্তৰ বিৰুদ্ধে চৰকাৰী অধিবক্তাই চাৰ্জ ফ্ৰেমিঙৰ সকলো পদক্ষেপ সম্পূৰ্ণ কৰে। অহা ৩০ মাৰ্চত আদালতে পুনৰ শুনানিৰ দিন ধাৰ্য কৰিছে। উক্ত দিনাই আদালতে অভিযুক্তসকলৰ অধিবক্তাৰ শুনানি গ্ৰহণ কৰিব। উল্লেখ্য যে আজিও সাত অভিযুক্ত ক্ৰমে শ্যামকানু মহন্ত, শেখৰজ্যোতি গোস্বামী, সিদ্ধাৰ্থ শৰ্মা, অমৃতপ্ৰভা মহন্ত, সন্দীপন গাৰ্গ, নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্যক ভাৰ্চুৱেলী আদালতত হাজিৰ কৰা হয়। আদালত চৌহদত উপস্থিত হৈ শুনানিত অংশ লয় শিল্পী পত্নী গৰিমা শইকীয়া গাৰ্গে। গৰিমা শইকীয়া গাৰ্গে প্ৰাণৰ শিল্পীগৰাকীৰ ন্যায়প্ৰাপ্তিৰ বাবে চৰকাৰী লোক অধিবক্তাৰ দলে গ্ৰহণ কৰা পদক্ষেপৰ শলাগ লয়।

# অগপই প্ৰকাশ কৰিলে

অগপৰ কাৰ্যকৰী সভাপতি কেশৱ মহন্তই। আন প্ৰাৰ্থীসকল হ'ল- বঙাইগাঁৱত সাংসদ ফণীভূষণ চৌধুৰীৰ পত্নী তথা বৰ্তমানৰ বিধায়িকা দীপ্তিময়ী চৌধুৰী, বৰপেটাত দীপক কুমাৰ দাস, টীয়কত বিকাশ শইকীয়া, ডিমৰীয়াত ড° তপন দাস, তেজপুৰত বিধায়ক পৃথ্বিৰাজ ৰাভা, বজালীত ধৰ্মেশ্বৰ ৰায়, হাজো-শুৱালকুছিত প্ৰকাশ চন্দ্ৰ দাস, শিৱসাগৰত প্ৰদীপ হাজৰিকা, নাওবৈচাত বসন্ত দাস, বিলাসীপাৰাত জীৱেশ ৰয়, সোণাইত কৰিমুদ্দিন বৰভূঞা, দক্ষিণ কৰিমগঞ্জত ইকবাল হুছেইন, মানকাচৰত জাবেদ ইছলাম, গোৱালপাৰা পূবত আব্দুল ৰহিম জিব্ৰান, আলগাপুৰ-কাটলিচেৰাত জাকিৰ হুছেইন লস্কৰ, বিন্নাকান্দিত স্বাহাবুদ্দিন মজুমদাৰ, ৰূপহীহাটত জাকিৰ হুছেইন ফাৰাজী, লাহৰীঘাটত খলিলিৰ ৰহমান, সৃজনগ্ৰামত ছহিদুল ইছলাম, চেঙাত ছাদ্দাম হুছেইন, ছমৰীয়াত নুৰুল ইছলাম, পাকা-বেতবাৰীত ডাঃ তাৰাপ্ৰসাদ দাস, জলেশ্বৰত আবু শ্বাস শ্বাহী হোছেইন আৰু গৌৰীপুৰত মেহতাবুল হক। লক্ষণীয়ভাৱে অগপৰ প্ৰাৰ্থী তালিকাত এইবাৰ কেইবাজনো জ্যেষ্ঠ নেতাই বঞ্চিত হোৱাৰ বিপৰীতে একাংশ নতুন মুখে স্থান লাভ কৰিছে। তদুপৰি দলত নতুনকৈ যোগদান কৰা নেতাৰ নামো সন্নিবিষ্ট হৈছে প্ৰাৰ্থী তালিকাত। টিকটবঞ্চিত হোৱাসকলৰ ভিতৰত অন্যতম হৈছে ৰমেন্দ্ৰ নাৰায়ণ কলিতা, ডাঃ কমলা কলিতা, বেণুপমা ৰাজখোৱা, ভবেন্দ্ৰনাথ ভৰালী আৰু পোনাকণ বৰুৱা। সেইদৰে দলত নতুনকৈ যোগদান কৰিয়েই হাজো-শুৱালকুছিত প্ৰকাশ চন্দ্ৰ দাস, নাওবৈচাত বসন্ত দাস, সোণাইত কৰিমুদ্দিন বৰভূঞাৰ আৰু আলগাপুৰ-কাটলিচেৰাত জাকিৰ হুছেইন লস্কৰে অগপৰ টিকট লাভ কৰিবলৈ সক্ষম হৈছে।

# জুবিন হত্যাৰ শুনানিৰ

ন্যায়াধীশ আশুতোষ কুমাৰে নৱনিযুক্ত বিশেষ ফাষ্টট্ৰেক ক'ৰ্টখনৰ ন্যায়াধীশগৰাকীক প্ৰয়োজনীয় সকলো সা-সুবিধা প্ৰদান কৰিবলৈ চৰকাৰক আহ্বান জনাইছে। মুখ্য ন্যায়াধীশৰ এই নিৰ্দেশক চৰকাৰে সকলো প্ৰকাৰে সহযোগিতা কৰাৰ লগতে এই পদক্ষেপৰ বাবে মুখ্য ন্যায়াধীশ কুমাৰক কৃতজ্ঞতা জনাইছে মুখ্যমন্ত্ৰী ড° শৰ্মাই। অৱশ্যে বিশেষ আদালতখন সক্ৰিয় হৈ নুঠা পৰ্যন্ত বৰ্তমানৰ জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালতে প্ৰতিদিনেই ফাষ্টট্ৰেক আদালতৰ দৰে জুবিন গাৰ্গ হত্যাকাণ্ডৰ শুনানি গ্ৰহণ কৰিব বুলিও মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে কয়। আনহাতে ফাষ্টট্ৰেক আদালত গঠনৰ সিদ্ধান্তক আদৰণি জনাইছে শিল্পীপত্নী গৰিমা শইকীয়া গাৰ্গে। প্ৰিয় শিল্পীৰ চলি থকা গোচৰৰ শুনানিৰ বাবে আদালতত উপস্থিত হোৱা গৰিমা শইকীয়া গাৰ্গে কয় যে আমি আইনৰ ওপৰত চিৰদিন আস্থা ৰাখিছিলোঁ। আজি সেই আশা কিছু আগবাঢ়িছে।

# বিহালীত নিৰ্বাচনী

তথা বিধায়ক উৎপল বৰা, বিশ্বনাথৰ প্ৰাৰ্থী পল্লৱলোচন দাস, বিহালীৰ প্ৰাৰ্থী মুনীন্দ্ৰ দাস আৰু বিশ্বনাথ জিলা বিজেপিৰ সভাপতি অসীম দাসসহ কেইবাজনো দলীয় নেতা। তেওঁলোকে জনসভাখনৰ স্থান পৰিদৰ্শন কৰাৰ লগতে প্ৰস্তুতিৰ বিভিন্ন দিশ তদাৰক কৰে। এই বিশাল জনসভাখনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাও উপস্থিত থাকিব।

# প্ৰথম দিনাই শাসক

শিৱসাগৰ নগৰৰ বৰ্ডিং খেলপথাৰৰ পৰা, কংগ্ৰেছৰ সমৰ্থিত প্ৰাৰ্থী ৰাইজৰ দলৰ অখিল গগৈয়ে নগৰৰ পিয়লি ফুকন ষ্টেডিয়ামৰ পৰা শোভাযাত্ৰা উলিয়ায়। আনহাতে নাজিৰা বিধানসভা সমষ্টিৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰা কংগ্ৰেছৰ প্ৰাৰ্থী দেবব্ৰত শইকীয়াই শিৱসাগৰৰ ধাই আলিৰ পৰা বিশাল শোভাযাত্ৰাৰে জিলা আয়ুক্তৰ কাৰ্যালয়ত উপস্থিত হৈ মনোনয়ন দাখিল কৰে। মনোনয়ন দাখিলৰ পূৰ্বে ৰাইজৰ দলৰ বিধায়ক অখিল গগৈয়ে কয় যে অগপ-বিজেপি মিত্ৰজোটৰ প্ৰাৰ্থী প্ৰদীপ হাজৰিকা এগৰাকী জ্যেষ্ঠ ৰাজনীতিক। তেওঁৰ লগত ৰাজনৈতিক যুঁজ এখনত লিপ্ত হ'ম। ডিব্ৰুগড়ত অজাপৰ সভাপতি লুৰিণজ্যোতি গগৈয়ে খোৱাং সমষ্টিৰ বাবে মনোনয়ন-পত্ৰ দাখিল কৰে। সমষ্টিটোৰ হাজাৰ হাজাৰ সদস্য সমৰ্থকৰ লগত শোভাযাত্ৰা কৰি লুৰিণজ্যোতি গগৈয়ে মনোনয়ন দাখিল কৰে। আনহাতে, ডিব্ৰুগড় আয়ুক্তৰ কাৰ্যালয়ত মনোনয়ন দাখিল কৰে ডিব্ৰুগড় সমষ্টিৰ বিজেপি প্ৰাৰ্থী প্ৰশান্ত ফুকনেও। মনোনয়ন দাখিলৰ সময়ত তেওঁক সংগ দিয়ে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে। শাসকীয় বিজেপিৰ কেইবাগৰাকী প্ৰাৰ্থীয়ে নিজৰ নিজৰ মনোনয়ন-পত্ৰ দাখিল কৰে। মাজুলীত বিধায়ক ভুবন গামে দহ সহস্ৰাধিক সদস্য সমৰ্থক লৈ জিলা আয়ুক্তৰ কাৰ্যালয়ত মনোনয়ন দাখিল কৰে। ঢেকীয়াজুলি সমষ্টিৰ বাবে আজি মনোনয়ন দাখিল কৰে বিজেপি প্ৰাৰ্থী মন্ত্ৰী অশোক সিংহলে। ঢেকীয়াজুলিৰ আৱাসৰ পৰা হাজাৰ হাজাৰ সমৰ্থকক লগত লৈ তেজপুৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত মনোনয়ন দাখিল কৰে প্ৰাৰ্থীগৰাকীয়ে। ভগৱানৰ আশীৰ্বাদ, জনগণৰ আশিস, যুৱ শক্তিক লগত লৈ মনোনয়ন দাখিল কৰি ঢেকীয়াজুলিত বিজেপিয়ে আকৌ এবাৰ বিজয় ধ্বজা উৰুৱাবলৈ সক্ষম হ'ব বুলি দৃঢ় বিশ্বাসী প্ৰাৰ্থী অশোক সিংহল। মনোনয়ন দাখিল কৰে গোলাঘাটৰ বিজেপি প্ৰাৰ্থী অজন্তা নেওগেও। গোলাঘাটত জনতাৰ অভূতপূৰ্ব সঁহাৰিৰ মাজিত অজন্তা নেওগে গোলাঘাট সমষ্টিৰ এনডিএ প্ৰাৰ্থীৰূপে সংহত জিলা আয়ুক্তৰ কাৰ্যালয়ত মনোনয়ন-পত্ৰ দাখিল কৰে। মনোনয়ন দাখিলৰ সময়ত তেওঁৰ সৈতে সাংসদ কামাখ্যা প্ৰসাদ তাছা, জিলা বিজেপিৰ সভাপতি চন্দ্ৰজ্যোতি ঠাকুৰসহ বিজেপিৰ বহু শীৰ্ষ বিষয়ববীয়াই সংগ দিয়ে। শদিয়াৰ বিজেপি প্ৰাৰ্থী বলীন চেতিয়ায়ো মনোনয়ন-পত্ৰ দিয়ে। মনোনয়ন-পত্ৰ দিয়ে সৰুপথাৰৰ বিধায়ক বিশ্বজিৎ ফুকনেও। নদুৱাৰ সমষ্টিৰ বিজেপি প্ৰাৰ্থী পদ্ম হাজৰিকাও মনোনয়ন-পত্ৰ দাখিল কৰে। তেওঁ নাগশংকৰ মন্দিৰত মূৰ দোঁৱাই নিজৰ মনোনয়ন দাখিল কৰে। ভৱানীপুৰ- সৰভোগৰ মিত্ৰ দলৰ প্ৰাৰ্থী চিপিএমৰ প্ৰাৰ্থী মনোৰঞ্জন তালুকদাৰেও মনোনয়ন-পত্ৰ দাখিল কৰে। আনহাতে, যোৰহাটত মৰিয়নি সমষ্টিৰ প্ৰাৰ্থী ড°জ্ঞানশ্ৰী বৰাইও ৰাইজৰ দলৰ প্ৰাৰ্থী হিচাপে মনোনয়ন পত্ৰ দাখিল কৰে।

# বিশাল সমদলেৰে

মৰিগাঁৱকে ধৰি বান-গৰাখহনীয়া পীড়িত জিলাখনৰ কেইবাটাও সমস্যা সমাধান কৰা হৈছে। জনকল্যাণকামী পদক্ষেপেৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দুখীয়া মানুহক উপকৃত কৰাৰ কথা সদৰী কৰি তেওঁ কয় যে এপইচাও খৰচ নকৰাকৈ ডেৰ লাখ যুৱক-যুৱতীয়ে চাকৰি লাভ কৰা কাৰ্যই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ স্বচ্ছতা আৰু নিকা চৰিত্ৰ প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী ড° শৰ্মাৰ নেতৃত্বত পুনৰ অসমত বিজেপি চৰকাৰ হোৱাটো নিশ্চিত। ৰাইজেও নিশ্চয়কৈ আশীৰ্বাদ এইবাৰ প্ৰদান কৰিব। আনহাতে বিৰোধীক কটাক্ষ কৰি তেওঁ কয় যে বৰ্তমান কংগ্ৰেছ দল বিধ্বস্ত হৈ পৰিছে। যোৱা দুমাহ ধৰি গৌৰৱ গগৈ আৰু অখিল গগৈৰ মাজত চলা বাকযুদ্ধই ৰাইজক আমুৱাইছে। দুয়োৰে মাজত মিত্ৰতা দূৰৰে কথা, গালি-গালাজ কৰাৰ যেন প্ৰতিযোগিতাহে চলিছে। ইফালে মৰিগাঁও সমষ্টিৰ বাবে পুনৰ মনোনয়ন-পত্ৰ দাখিল কৰিলে সমষ্টিটোৰ বৰ্তমানৰ বিধায়ক ৰমাকান্ত দেউৰীয়ে। ৰিটাৰ্ণিং বিষয়া অনুসূয়া শৰ্মাই বিধায়ক ৰমাকান্ত দেউৰীৰ মনোনয়ন-পত্ৰ গ্ৰহণ কৰে। মৰিগাঁও মহাবিদ্যালয় খেলপথাৰৰ পৰা প্ৰায় ৩০ হাজাৰ সমৰ্থকসহ বিধায়ক ৰমাকান্ত দেউৰীয়ে পদব্ৰজে মৰিগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ত মনোনয়ন দাখিল কৰে। পূৰ্বৰ দুবাৰৰ দৰে এইবাৰো ৰাইজৰ আশীৰ্বাদ পাব বুলি দৃঢ় বিশ্বাসী বিধায়ক দেউৰীয়ে বিজয় নিশ্চিত বুলি দাবী কৰাৰ লগতে পূৰ্বতকৈ অধিক ব্যৱধানত বিজয় সাব্যস্ত কৰিব বুলি আশা ব্যক্ত কৰে।

# সোমবাৰে গুৱাহাটীৰ ৪ সমষ্টিৰ

জিলা বিজেপিৰ কাৰ্যালয়ত অনুষ্ঠিত হ'ল এক ৰুদ্ধদ্বাৰ বৈঠক। দিছপুৰ সমষ্টিৰ বিজেপি প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈ, নিউ গুৱাহাটী সমষ্টিৰ প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মা, মধ্য গুৱাহাটী সমষ্টিৰ প্ৰাৰ্থী বিজয় গুপ্তা আৰু ডিমৰীয়া সমষ্টিৰ অগপ প্ৰাৰ্থী ড° তপন দাসৰ উপস্থিতিত অনুষ্ঠিত এই বৈঠকতে প্ৰস্তুত কৰা হ'ল নিৰ্বাচনী ৰণনীতি। মুখ্যতঃ কোনে কি ৰণনীতিৰে ভোটাৰৰ ওচৰলৈ যাব, প্ৰচাৰৰ বাবে কিভাৱে আগবাঢ়িব, তাক লৈ অনুষ্ঠিত এই ৰণকৌশল প্ৰস্তুতি বৈঠকত উপস্থিত থাকিল গুৱাহাটীৰ জিলা সভাপতি তপন চন্দ্ৰ দাস, সাংসদ বিজুলী কলিতা মেধিৰ লগতে ৰাজ্যিক বিজেপিৰ কেইবাজনো নেতা। ইফালে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পিছত সোমবাৰে এনডিএৰ আন চাৰি প্ৰাৰ্থীয়ে শক্তি প্ৰদৰ্শন কৰিব। এই সন্দৰ্ভত জিলা সভাপতি তপন চন্দ্ৰ দাসে প্ৰকাশ কৰা মতে, সোমবাৰে ৪০ হাজাৰ সমৰ্থকক লৈ চাৰিওগৰাকী প্ৰাৰ্থীয়ে খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰৰ পৰা বিশাল সমদলেৰে মহানগৰ জিলা আয়ুক্তৰ ওচৰত দাখিল কৰিব মনোনয়ন। মনোনয়ন দাখিলৰ পূৰ্বে এনডিএৰ চাৰি প্ৰাৰ্থীয়ে বিজয় সংকল্প গ্ৰহণ কৰে। বিজেপিৰ চাৰিটা সমষ্টিৰ সকলো ভাতৃ সংগঠনৰ লগতে দলীয় সমৰ্থকক সোমবাৰে খানাপাৰাত একগোট কৰাৰ পাছত খানাপাৰাৰ পৰা হেঙেৰাবাৰীলৈ উলিওৱা হ'ব বিশাল সমদল। ৰাজ্যিক বিজেপিৰ দলীয় সূত্ৰই প্ৰকাশ কৰা অনুসৰি সকলো জাতি-জনগোষ্ঠীৰ নৃত্য-গীতৰ লগতে গুৱাহাটীবাসীৰ পূৰ্ণ সহযোগিতাৰে সোমবাৰে উলিওৱা এই বিশাল সমদলেৰে বিজেপিয়ে শক্তি প্ৰদৰ্শন কৰাই নহয়, পূৰ্বৰে পৰা যে গুৱাহাটী বিজেপিৰ দুৰ্গ তাক সোমবাৰৰ সমদলেৰে স্পষ্ট কৰি দিয়া হ'ব। ইফালে কংগ্ৰেছ ত্যাগ কৰি বিজেপিত যোগদান কৰা দিছপুৰ সমষ্টিৰ প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈ বিজয় সংকল্প গ্ৰহণ কৰি নিৰ্বাচনী প্ৰস্তুতি সন্দৰ্ভত কয়- বিজেপি পৰিয়ালৰ হাতৰ আঙুলিত ধৰি দিছপুৰ সমষ্টিত প্ৰচাৰ চলাবলৈ মই সাজু হৈছোঁ। বিজেপি দলৰ সু-সংহত সাংগঠনিক ভেটি দেখি মই অভিভূত। মোক আঙুলিত ধৰি বিজেপি পৰিয়ালে মোক লৈ যাব লাগিব, মোক সাহস দিব তেওঁলোকে। বিজেপিৰ কাৰ্যকৰ্তাই মোৰ নিৰ্বাচনৰ ভৰসা। আনহাতে নিৰ্বাচনী প্ৰস্তুতি সন্দৰ্ভত নিউ গুৱাহাটী সমষ্টিৰ প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাই কয়- নিউ গুৱাহাটীৰ দৰে এক সম্ভ্ৰান্ত সমষ্টিৰ প্ৰাৰ্থী হ'বলৈ পাই নিজকে ধন্য মানিছোঁ। এই সমষ্টিটোত প্ৰাৰ্থিত্বৰ বাবে প্ৰাৰ্থীগৰাকীৰ বহু গুণ থকা প্ৰয়োজন। এই গুণ গঢ়ি তোলাৰ বাবে মই সকলো ধৰণৰ চেষ্টা কৰিম। ইফালে বিৰোধীয়ে দিপ্লুৰঞ্জন শৰ্মাক নিউ গুৱাহাটী সমষ্টিত চালানী নেতা বুলি কৰা সমালোচনাৰ প্ৰত্যুত্তৰ দি প্ৰাৰ্থীগৰাকীয়ে কয়- অস্তিত্বহীন কংগ্ৰেছে লোকেল-চালানী বুলি হতাশগ্ৰস্ততাৰহে পৰিচয় দিছে। গুৱাহাটীত মই বিগত ২৫ বছৰ ধৰি আছোঁ। বিৰোধীয়ে মোক চালানী বুলি কোৱাৰ আগতে একেই বিৰোধীয়ে বায়নাড় সমষ্টিত ৰাহুল গান্ধীয়ে নিৰ্বাচন খেলাৰ বাবে চালানী বুলি ক'ব নে নাই? প্ৰয়াত প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈয়েও মাৰ্ঘেৰিটাত নিৰ্বাচন খেলিছিল। তেওঁক বিৰোধীয়ে কি বুলি ক'ব? চালানী-লোকেল বুলি কোনো কথা নাই। কোন ৰাজনৈতিক দলে আদৰ্শৰ কথা কয় সেয়াহে চাবলগীয়া। আজি জাতি-মাটি-ভেটিৰ কথা কোন দলে কৈছে? কংগ্ৰেছে কেতিয়াও জাতি-মাটি-ভেটিৰ কথা কোৱা নাই। কংগ্ৰেছ এতিয়া অচিনাকি লোকৰ দলত পৰিণত হৈছে, কংগ্ৰেছৰ আজিৰ দিনত অস্তিত্ব ক'ত আছে? চৰ অঞ্চলত যদি কংগ্ৰেছৰ অস্তিত্ব নাথাকে, তেন্তে দলটো নিশ্চিহ্ন হৈ যাব। আনহাতে ডিমৰীয়াৰ অগপ প্ৰাৰ্থী ড°তপন দাসে স্থানীয় ৰাইজৰ সৈতে আলোচনা কৰি প্ৰচাৰ অভিযানত নামিব বুলি জানিবলৈ দিয়ে। সংবাদ মাধ্যমৰ আগত অগপ প্ৰাৰ্থীজনে কয়-ক'ভিডকালৰ পৰাই ডিমৰীয়াবাসী ৰাইজৰ বাবে কাম কৰি আছোঁ। ডিমৰীয়াৰ অগপ আৰু বিজেপিৰ বিষয়ববীয়াসকলৰ লগত বৈঠক অনুষ্ঠিত কৰি প্ৰচাৰ অভিযান আগুৱাই নিম। মন কৰিবলগীয়া যে এনডিএৰ চাৰি প্ৰাৰ্থীক লৈ আজি অনুষ্ঠিত বিজয় সংকল্প বৈঠকৰ মাজতে প্ৰাৰ্থিত্বৱঞ্চিত অগপ-বিজেপিৰ দুই জ্যেষ্ঠ নেতাক সাক্ষাৎ কৰিলে মধ্য গুৱাহাটীৰ বিজেপি প্ৰাৰ্থী বিজয় গুপ্তাই। পূৰ্বৰ পুব গুৱাহাটী সমষ্টিৰ বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্য আৰু পশ্চিম গুৱাহাটীৰ অগপ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাক সাক্ষাৎ কৰি দুয়োগৰাকীৰে আশীৰ্বাদ লয় বিজয় গুপ্তাই।

# বিশাল জনসমুদ্ৰৰ মাজেৰে মনোনয়ন

গ'ল ব্যাপক উৎসাহ। প্ৰতিকূল বতৰক নেওচি উদ্যম, আশা আৰু উৎসাহেৰে প্ৰতিগৰাকী সমৰ্থক উজলি উঠা পৰিলক্ষিত হ'ল। বৰষুণে ম্লান কৰিব নোৱাৰা ৰাইজৰ মৰম-উৎসাহৰ মাজতে মুখ্যমন্ত্ৰীয়ে খানাপাৰাৰ খেলপথাৰৰ পৰা হেঙেৰাবাৰীস্থিত জিলা আয়ুক্তৰ কাৰ্যালয়লৈ মনোনয়ন দাখিলৰ বাবে সমদলেৰে আগবাঢ়ে। ইয়াৰ পূৰ্বে খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত পৰিলক্ষিত হ'ল এক উৎসৱমুখৰ পৰিৱেশ। বিহু নাচনী আৰু ঢুলীয়াৰ বিহুগীত-ঢোলত ৰজনজনাই উঠিল সমগ্ৰ খেলপথাৰ। হাতে হাতে পুষ্পপত্ৰ লৈ মুখ্যমন্ত্ৰীক সম্ভাষণ জনাবলৈ শাৰীপাতি থিয় হৈ থকা দেখা গ'ল লক্ষাধিক মহিলাক। সমদল উলিওৱাৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে সমৰ্থকক উদ্দেশ্যি কয়- আপোনালোক সকলোৰে পৰা মই আশীৰ্বাদ বিচাৰিছোঁ, যাতে জালুকবাৰী সমষ্টিত আমি পুনৰ এবাৰ বিজয় হ'ব পাৰোঁ আৰু অসমত আমি বিজেপি চৰকাৰ গঠন কৰিব পাৰোঁ। ভাৰত মাতা কী জয়, নৰেন্দ্ৰ মোদী জিন্দাবাদ, বন্দে মাতৰম্, বিজেপি জিন্দাবাদ, জয় জয় শ্ৰীৰাম ধ্বনিৰে আৰম্ভ কৰা এই সমদলক আগুৱাই নিয়ে একাধিক সাংস্কৃতিক গোষ্ঠীয়ে। বিহু, জনগোষ্ঠীয় গীত-নৃত্যৰ মাজেৰে এখন খোলা বাহনত মুখ্যমন্ত্ৰীয়ে মনোনয়ন দাখিলৰ বাবে যোৱা সমদলত অংশ ল'লে লক্ষাধিক উৎসাহিত সমৰ্থক-কাৰ্যকৰ্তাই। জনসমুদ্ৰত পৰিণত কৰি খানাপাৰাৰ পৰা গণেশগুৰিলৈ আগবঢ়া এই বিশাল সমদলত দেখা গ'ল যুৱক-মহিলাৰ ব্যাপক অংশগ্ৰহণ। প্ৰায় সকলো সম্প্ৰদায়ৰ জনতাই মুখ্যমন্ত্ৰীগৰাকীক মনোনয়ন প্ৰদানৰ বাবে আদৰি অনা পৰিলক্ষিত হ'ল। মুখ্যমন্ত্ৰীগৰাকীক মনোনয়ন দাখিলৰ সময়ত সংগদান দিয়া পত্নী ৰিণিকি ভূঞা শৰ্মাই লক্ষাধিক সমৰ্থকৰ এনে সমদল দেখি আপ্লুত হৈ ক'লে- জালুকবাৰী সমষ্টিত মুখ্যমন্ত্ৰীয়ে সদায় পৰিয়ালৰ মুৰব্বী হিচাপে চাই আহিছে। যোৱা ২৫ বছৰে সমষ্টিটোৰ বাবে মুখ্যমন্ত্ৰীয়ে দিন-ৰাতি লাগি আছে। জালুকবাৰী আমাৰ বাবে সমষ্টি নহয়, এটা বৃহৎ পৰিয়াল। গতিকে পৰিয়ালৰ মুৰব্বীগৰাকীয়ে ওলাই অহা বাবে আজি সদস্যসকলে তেওঁক সমৰ্থন দিবলৈ ওলাই আহিছে। কামৰূপ মহানগৰ জিলা আয়ুক্তৰ হাতত মনোনয়ন দাখিলৰ সময়ত মুখ্যমন্ত্ৰীক আইনী সহায় কৰে দেৱজিৎ লন শইকীয়াই। মনোনয়ন দাখিলৰ অন্তত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- অসমবাসী ৰাইজৰ মই শুভেচ্ছা কামনা কৰিছোঁ। বিজেপি আৰু মিত্ৰদলৰ প্ৰাৰ্থীসকলক আশীৰ্বাদ কৰিবলৈ অসমবাসী ৰাইজক বিনম্ৰতাৰে অনুৰোধ জনাইছোঁ। তেওঁ ইয়াকো উল্লেখ কৰে ১৯৯৬ চনত প্ৰথমবাৰৰ বাবে মই জালুকবাৰী সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰি প্ৰায় ৰচ হাজাৰ ভোটত মই পৰাজিত হৈছিলোঁ। পৰৱৰ্তী সময়ত ২০০১ চনত, ২০০৬ চনত, ২০১১ চনত, ২০১৬ চনত আৰু ২০২১ চনত সমষ্টিটোৰ পৰা মই জয়লাভকৰিছোঁ। এইবাৰ সমষ্টিটোৰ কিছু পৰিৱৰ্তন হৈছে যদিও মই ভাবোঁ আগৰদৰেই ৰাইজে মোক আশীৰ্বাদ দিব। পুনৰ গঠিত সমষ্টিটোৰ ৰাইজৰ পৰা মই আগৰ দৰেই শুভেচ্ছা আৰু আশীৰ্বাদ বিচাৰিছোঁ।

# ENGLISH NEWS SECTION

## Governor extends greetings on Eid-ul-Fitr

Guwahati, RB News: Assam Governor Shri Lakshman Prasad Acharya, extended his warm greetings to the people of the state, especially the Muslim community, on the auspicious occasion of Eid-ul-Fitr.In his message here today, the Governor while extending his best wishes, said that Eid-ul-Fitr, marking the end of the sacred month of Ramadan, symbolizes peace, gratitude and spiritual renewal. He expressed hope that the festival would strengthen the bonds of harmony, unity and mutual respect among all sections of society.The Governor further said that Eid is a celebration of compassion, generosity and togetherness. He urged people to embrace the values of kindness and charity, and work collectively towards a more inclusive and harmonious society. Wishing everyone happiness and prosperity, the Governor called upon the people to follow the spirit of the occasion and work for peace and well-being for all.

## Athlete Sneha Kolleri gets 3-year ban after failed dope test



RB News: Indian runner Sneha Kolleri was handed a three-year ban by Athletics Integrity Unit (AIU) after testing positive for banned steroid Stanozolol. She was dropped from the Asian Championships contingent last year for a failed dope test and AIU rejected her claim that a contaminated supplement caused the result. AIU reduced her ban from four years to three after admitting violation.

## Putin honours Paralympic champion Golubkov at Kremlin



RB News: Vladimir Putin honoured Russian Paralympic athlete Ivan Golubkov during a ceremony at the Kremlin in Moscow on Thursday, celebrating his gold medal achievement at the 2026 Winter Paralympics in Italy. The ceremony recognised Golubkov's outstanding performance in the men's 10 km cross-country skiing event, where he secured the top podium finish.

## New Zealand beat South Africa to take 2-1 series lead




RB News: New Zealand registered a dominant eight-wicket win over South Africa in the third T20I at Eden Park on Friday to take a 2-1 lead in the five-match series. Chasing 137, New Zealand reached 137 for 2 with 22 balls to spare, powered by an opening stand between Devon Conway and Tom Latham. Latham emained unbeaten on 63, while Conway scored 39 in what was his final appearance of the series.Earlier, South Africa struggled to 136 for 9 despite expectations of a batting-friendly surface. Their innings never gained momentum as New Zealand's bowlers maintained tight control throughout. Lockie Ferguson delivered an exceptional spell of 1 for 9 in four overs - one of the most economical returns in men's T20Is at Eden Park.

## Legendary actor Chuck Norris passes away




RB News: Chuck Norris, the legendary martial artist and action star known worldwide for 'Walker, Texas Ranger,' has passed away at the age of 86. His family confirmed the news, saying he died on Friday morning after being hospitalised in Hawaii. The sudden loss has left fans and the film industry in shock as tributes begin to pourin from across the world. He was best known for his roles in the hit TV show "Walker, Texas Ranger' and 1980s action films, including 'Missing in Action' and 'The Delta Force'.

## CSK pacer Nathan Ellis ruled out of IPL 2026




RB News: Chennai Super Kings have suffered a significant setback ahead of IPL 2026, with Australian pacer Nathan Ellis ruled out of the tournament due to a hamstring injury. The franchise confirmed the exit of the Australian pacer with a social media post on Friday. "Nathan Ellis has been ruled out of the season due to a Hamstring injury. Wishing him a speedy recovery!" CSK wrote on X. The 31-year-old fast bowler was last seen in action for Tasmania during the Australian One-Day Cup final in Hobart, where he returned figures of 2/26 from five overs in a losing cause against New South Wales.

## India to host World Indoor Athletics Championships for 1st time ever in 2028



RB News: India will host the World Indoor Athletics Championships for the first time in 2028 in Bhubaneswar as the international body on Thursday awarded the hosting rights of the prestigious event to the country at its council meeting in Torun, Poland, on Thursday. The Athletics Federation of India (AFI) had revealed its bid for the World Indoor Championships earlier this year. Following India's bid, a two-member team from World Athletics had visited the indoor facility at the Kalinga Stadium Complex in Bhubaneswar in January before clearing India to host its first-ever World Indoor Athletics Championships.

## Laxman Sivaramakrishnan retires from commentary



RB News: Ex-India leg-spinner Laxman Sivaramakrishnan has retired from commentary for BCCI. Sivaramakrishnan said he was consistently overlooked for key on-air roles such as toss duties and post-match presentations, despite being part of the setup for over two decades. He further pointed out that even when established names like Ravi Shastri were involved with the team, he was not given such responsibilities, indicating a long-standing pattern. "I am retiring from commentary for BCCI", Sivaramakrishnan wrote on his 'X' handle.

অণুগল্প

# স্মৃতি




**ভাৰতী বসুমতাৰী, হোজাই**

তোমাৰ হাঁহিতেই যেন লুকাই আছে মোৰ জীয়াই থকাৰ শক্তি আৰু প্ৰেৰণা.... ডায়েৰী পৃষ্ঠাৰ আখৰবোৰ নেদেখা হৈ পৰিল চশমাযোৰ খুলি চকুৰ কোণ দুটাৰ অদৃশ্য চকুপানী মচি ললে তাই...

# প্ৰত্যাহ্বান

যেতিয়া বাস্তৱত জীৱনৰ কিছুমান দিশত কাম কৰিবলৈ যাওঁতে আহি পৰে তেতিয়া তেওঁলোকক চিনাক্ত কৰাও সহজ হৈ পৰে । অন্যহাতে প্ৰত্যাহ্বান সৃষ্টি কৰিবলৈ বাট চাই থকাও এচাম ব্যক্তি আছে যি নেকি অতি চতুৰ । সেই চতুৰ ব্যক্তিসকলে আঁৰত থাকি কাম কৰে ।আৰু সেইচামে খুউব ধুনীয়াকৈ মগজুৰ খেল খেলিব জানে । সেই চতুৰ ব্যক্তিসকলে সহজ সৰল লোকৰ সৰলতাৰ সুযোগ বৰ ধুনীয়াকৈ লব জানে। তেওঁলোকে ইমান কৌশলেৰে মগজুৰ খেল খেলি সুবিধা আদায় কৰিব কোনোৱে পাত্তাই নাপায় । আৰু এটা তেওঁলোকৰ স্বভাৱ আছে নিজে তেওঁলোকে সমাজৰ সকলোৰে লগত খুউব মিলাপ্ৰীতিয়ে থাকে আনক কিন্তু বেয়া বদনাম দিবলৈ, বেয়া কৰিবলৈ উঠি পৰি লাগে, সেইসকল ব্যক্তিৰ পৰা অতি সাৱধান হোৱা উচিত।

ভাল গছপুলি এটা ৰুলে যেনেকৈ লতা, ঘাঁহ বনে আৱৰি ধৰে পুলিটো লহপহকৈ বাঢ়িব খুজিলেও কষ্ট পায় ঠিক তেনেকৈ ভাল কাম এটা কৰিবলৈ গলেও এচামে বদনাম ৰচনাত ব্ৰতী হবলৈ বিচাৰে । গতিকে শীতল মগজুৰে তেনে চাম মানুহৰ কৰ্মক জয় কৰিব লাগিব। ভাল মানুহৰ সান্নিধ্যৰ দ্বাৰা নিজক জয় কৰিব লাগিব।

# অশোকাষ্টমীৰ ইতিহাস আৰু শুৱালকুছিৰ অশোকাষ্টমীৰ আঁত বিচাৰি

**নমিতা দাস, শুৱালকুছি**



বসন্তৰ আগমনৰ সময়তে প্ৰতি বছৰে চ'ত বা বহাগ মাহৰ শুক্লা অষ্টমী তিথিতে অশোকাষ্টমী পালন কৰা হয়। অশোকাষ্টমী নামটো ক'ৰ পৰা কেনেকৈ হ'ল বিভিন্ন সময়ত বিভিন্ন জনে বেলেগ বেলেগ মত পোষন কৰা পৰিলক্ষিত হয়। অশোক যাৰ শোক নাই।অশোক বসন্ত কালত ফুলা এবিধ ৰঙা ফুল। মুখে মুখে প্ৰচলিত প্ৰবাদ মতে অশোকাষ্টমীৰ দিনা ব্ৰহ্মপুত্ৰৰ সহিতে গংগা বৈ অহাত জনসাধাৰণে অশোক ফুলেৰে পূজা কৰিছিল সেই তেতিয়াৰ পৰা অশোকাষ্টমী পালন কৰা বুলি মুখে মুখে প্ৰচলিত ।

আন এক প্ৰবাদ মতে হিমালয় প্ৰান্তত অৱস্থিত মৰুত ৰাজ্যৰ ৰজা ৰাজ চক্ৰৱৰ্তী ৰাজা ধিৰাজ মহাৰাজ 'সুৰথ' স্বৰ্গপ্ৰাপ্তিৰ বাবে এইজনা সুৰথ ৰজাই বসন্ত কালৰ বাসন্তী উৎসৱতে দুৰ্গা দেৱীক পূজা কৰি এই উৎসৱ আয়োজন কৰিছিল কাল ক্ৰমত এই উৎসৱকে বাসন্তী উৎসৱ অৰ্থাৎ অশোকাষ্টমীৰ আৰম্ভণী বুলি কব বিচাৰে।আকৌ আন এক প্ৰবাদ মতে মহাৰাজ অশোকে ব্ৰত পালন কৰি চ'ত মাহৰ এই শুক্লা অষ্টমী তিথিতে বিশাল মেলা সদৃশ উৎসৱৰ আয়োজন কৰিছিল তেতিয়াৰ পৰা মহাৰাজ অশোকৰ নামেৰে অশোকাষ্টমী বুলি কয়। কিছু বছৰ আগলৈ শুৱালকুছিৰ এই মেলাত ভুটীয়া সকলৰ আগমনে এই কথাৰ সত্যতা নিৰুপন কৰে।

আকৌ নানান টা প্ৰবাদৰ ভিতৰত আন এক প্ৰবাদ মতে "সৰস্বতী কণ্ঠভৰণ" শীৰ্ষক গ্ৰন্থত উল্লেখ আছে পুত্ৰী কাৰণ ৰাজ প্ৰসাদত চ'ত মাহত ত্ৰয়োদশী তিথিত "অশোক দোহদা" নামৰ বাসন্তী উৎসৱ উৎযাপন কৰি তদানীন্তন সমাজত বিশ্বাস আছিল যে যুৱতী সকলে নিজৰ পদেৰে অশোক ফুল স্পৰ্শ কৰিলে ফুলবোৰ মঞ্জুৰিত হয়। সেয়েহে ৰাজপ্ৰসাদৰ যুৱতী আৰু সুন্দৰী পাটমাদৈয়ে বছৰৰ এটা নিৰ্দিষ্ট দিনত অশোক ফুলত নিজৰ চৰণ যুগল স্পৰ্শ দিছিল তেনে পৰম্পৰাৰ পৰাই এই উৎসৱ আৰম্ভ হব পাৰে বুলি ধাৰণা কৰা হয়। আনহাতে চ'ত মাহৰ শুক্ল ষষ্ঠী আৰু অষ্টমী তিথি দুটাত অশোকৰ কলি খাইছিল আৰু অষ্টমী তিথিত শোক মূৰ্তীৰ কামনা কৰি স্ত্ৰী -পুৰুষ নিৰ্বিশেষে আঠোটা কৈ অশোকৰ কলি খোৱাৰো বিধান আছিল।

অশোকাষ্টমীৰ আন এক প্ৰবাদ মতে মহামুনি ভাৰ্গৱে পিতৃ জমদগ্নিৰ আদেশ শিৰোধাৰ্য কৰি পৰশুৰে নিজ মাতৃৰ শিৰচ্ছেদ কৰিছিল কিন্তু মাতৃ হত্যাৰ মহাপাপৰ ফলত হাতৰ কুঠাৰ খন খহি নপৰাত তেওঁ পিতৃৰ ওচৰত উপায় বিচাৰিলে পিতৃ জমদগ্নিয়ে পুত্ৰক উপায় দিলে যে ব্ৰহ্মাৱৰ্তৰ পূবপ্ৰান্তত অৱস্থিত বিশাল ব্ৰহ্মকুণ্ডত স্নান কৰি তাৰ পাৰ এটি কাটি দিলে পৰশুৰামৰ পাপ মোচন হ'ব । সেই বিধান অনুসৰি ভাৰ্গৱেব্ৰহ্মকুণ্ডলৈ আহি স্নান কৰি পাপমুক্ত হ'ল আৰু হাতৰ কুঠাৰেৰে পাৰ কাটি দিলে। সেই কটা বাটেদি ব্ৰহ্মকুণ্ডৰ পবিত্ৰ পানী ব্ৰহ্মপুত্ৰ নামেৰে বৈ আহিল। মহামুনিও ব্ৰহ্মপুত্ৰৰ সৈতে যাত্ৰা কৰিলে প্ৰাগজ্যোতিস পুৰৰ নীলাচলত ক্ষন্তেক ৰ'বলৈ দি তেওঁ কামাখ্যা দেৱীক দৰ্শন কৰিবলৈ গ'ল দেৱীক দৰ্শন কৰি উভতি আহি ঋষিয়ে দেখিলে ব্ৰহ্মপুত্ৰই তেওঁৰ আদেশ উলংঘা কৰি বৈ গৈ আছে তেতিয়া ঋষিৰ প্ৰচণ্ড খং উঠিল আদেশ অমান্য কৰাৰ অপৰাধত ব্ৰহ্মপুত্ৰই পূৰ্বৰ পুণ্যৰ প্ৰভাৱ হেৰুৱাব বুলি অভিশাপ দিলে ।অভিশাপ শুনি অনুশোচনাত দগ্ধ হৈ অভিশাপৰ পৰা মুক্তি পোৱাৰ কামনাৰে ব্ৰহ্মপুত্ৰই ঋষিৰ ওচৰত সকাতৰে মিনতি কৰিলে অভিশাপৰ পৰা যাতে মুক্ত কৰি দিয়ে ।অৱশেষত ঋষিয়ে বৰ প্ৰদান কৰিলে যে ৰোহিনী নক্ষত্ৰ বাসন্তী শুক্লষ্টমী তিথিত ব্ৰহ্মপুত্ৰৰ পানীয়ে শোক-তাপ জৰ্জৰিত জনক শান্তি প্ৰদান কৰি জগতৰ হিত সাধন কৰিব। সেইদিনা মানুহে ব্ৰহ্মমুহূৰ্ততে ব্ৰহ্মপুত্ৰত স্নান কৰিলেব্ৰহ্মপদ লাভ কৰিব বুলি বিশ্বাস কৰে । তেনে প্ৰবাদতে "অশোকাষ্টমী উৎসৱ" অনুষ্ঠিত হৈ আহিছে।

আকৌ আন এক প্ৰবাদ মতে অশোক ঋষিৰ পুত্ৰৰ সৰ্প দংশনত অকালতে দেহান্ত হোৱাত ঋষি পত্নী শোকত ম্ৰিয়মান হৈছিল। কিন্তু ঋষিয়ে শোকত ম্ৰিয়মান হোৱাৰ পৰিবৰ্তে আহাৰ গ্ৰহণ কৰিবলৈ আদেশ দিলে। কাৰণ সকলো জীৱব্ৰহ্ম, মৃত জনৰ কাৰণে শোক কৰি জীৱিত জনৰ আত্মাক কষ্ট দিয়াৰ শাস্ত্ৰ সন্মত হেতু নাই। তেনে যুক্তিপূৰ্ণ বচণ শুনাৰ পিছত আশ্ৰমত উপবিষ্ট অন্যান্য ঋষিসবে অশোক মুনিক সপ্ৰশংসাৰে উপচায় পুত্ৰৰ মৃত্যুৰ শোক পৰিহৰি উৎসৱ পালন কৰিছিল তেনেকুৱা কাৰণতো অশোকাষ্টমী পালন কৰা হয় বুলি লোক-বিশ্বাস আছে। **আগলৈ..**

# যুগৰ অৱসান



**জ্যোতিষণা বৰপূজাৰী জাঁজী জামুগুৰি, শিৱসাগৰ, অষ্টম শ্ৰেণী**

সংগীত জগতত যেন
শেষ হ'ল এটা যুগ।
কান্দোনৰ সাগৰ-মহাসাগৰত
উটি গ'ল মহান সংগীতজ্ঞ ।
ৰৈ গ'ল মাথোঁ স্মৃতি,
মায়াবিনী ৰাতিৰ বুকুত।
থাকি গ'ল তেওঁ
অসমবাসীৰ হৃদয়ৰ
নিভৃত কোণত।
সাগৰৰ আন পাৰত যেন জুবিন,
এই পাৰত
অসমবাসীৰ অশ্ৰুৰ ঢৌ।
বেদনাৰে চিঞৰি উঠে
সমগ্ৰ অসম।
বাৰে বাৰে নিজকে
সান্ত্বনা দিয়ে মানুহে-
"নাই, এয়া সত্য নহয়!"
ভাঙি গ'ল সপোন,
হেৰাই গ'ল আশা-
অনুৰাগীৰ হৃদয়ত
জুবিন গাৰ্গক
মন ভৰি চোৱাৰ সপোন।
এতিয়া শুনা যায় মাথোঁ
সংগীতৰ সুৰভঙা ধ্বনি,
যেন কান্দোনেৰে ভৰা
এটা বেদনাৰ সুৰ।

ৰঙিলী বাৰ্তা কৰ্তৃক ড°উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মুখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- Dr. UDDIPTA NAYAN MEDHI Ph.98542-15286

# বিশ্ব ভাতৃত্ব স্থাপনত ঈদুল ফিতৰৰ প্ৰাসংগিকতা



**এম. হাছিম আলী, ডিব্ৰুগড়**

পৃথিৱীত থকা প্ৰতিটো জাতি, জনগোষ্ঠী, ধৰ্ম, ভাষা, বৰ্ণৰ নিজা নিজা উৎসৱ থকাৰ দৰে ইছলামধৰ্মী লোকসকলৰো দুটা সাৰ্বজনীন বাৰ্ষিক উৎসৱ আছে। ইয়াৰে এটা হল ঈদুল ফিতৰ আৰু আনটো হৈছে ঈদুল আজহা বা বকৰী ঈদ। বকৰী ঈদ বা কোৰবাণী ঈদ হৈছে শেষ বাৰ্ষিক উৎসৱ। ইছলাম ধৰ্মী লোকসকলে ১২ টা মাহৰ ভিতৰত ৰমজান মাহত সম্পূৰ্ণ এমাহ উপবাস পালন কৰে। উপবাস পালনৰ পিছত পালন কৰে ঈদ। এই ঈদক ঈদুল ফিতৰ বা দানৰ উৎসৱ বুলি কোৱা হয়। জাকাত আৰু ফিতৰা এই দুয়োটাই হৈছে দান। সমাজৰ গৰিব-দুখীয়া বা অসহায় লোকক বিচাৰি উলিয়াই এই দান দিয়া হয়। ফিতৰা ঘৰৰ প্ৰতিজন সদস্যই ৰমজান মাহত দিয়াটো বাধ্যতামূলকৰ দৰে জাকাত (পৰিশুদ্ধ) দিয়াটোও বাধ্যতামূলক। জাকাত সমাজৰ ধনী ব্যক্তি সকলে নিজৰ সঞ্চিত ধনৰ শতকৰা ২.৫% দিয়াটো বাধ্যতামূলক। ই পৱিত্ৰ কোৰাণৰ নিৰ্দেশ। পৱিত্ৰ কোৰাণত নামাজৰ পিছতে প্ৰায় ৮২ বাৰমান এই জাকাত সম্পৰ্কে বিস্তৃত ভাৱে কোৱা আছে। তেনেকৈ ঈদৰ পূৰ্বে জন্ম গ্ৰহণ কৰা শিশুটিৰ ক্ষেত্ৰতো ফিতৰা বা দান দুখীয়াক দিব লাগিব। চলিত বজাৰ মূল্যৰ ১৬৩৩ গ্ৰাম আটা বা ঘেঁহুৰ দাম নিৰ্ধাৰণ কৰি এই ফিতৰা সৰ্ব সাধাৰণৰ মানুহে দুখীয়াৰ মাজত বণ্টন কৰিব লাগিব, অৱশ্যে ধনীৰ ক্ষেত্ৰত সেইয়া সুকীয়াকৈ দিয়াৰ নিৰ্দেশ দিয়া আছে।

ঈদ মানে আনন্দ। ঈদক সাম্য মৈত্ৰী মিলনৰ উৎসৱ বুলি কোৱা হয় । ইছলামী বিধানত সকলোৱে সমান অধিকাৰ সাব্যস্ত কৰিব পাৰে। ধনী-দুখীয়া, কলা-বগাৰ ইয়াত স্থান নাই। ঈদৰ দিনা পুৱাতে উঠি গা-পা ধুই আঁতৰ চুৰমা সুগন্ধি লগাই পুৰুষ সকলে ঈদগাহলৈ গৈ মুকলি আকাশৰ তলত ইজনে সিজনৰ কান্ধত কান্ধ মিলাই শাৰীবদ্ধভাৱে দুই ৰাকাত ৱাজিব নামাজ পঢ়ে। মহিলা সকলে ঘৰতে থাকি নানান ধৰণৰ কেক্, মিঠাই, চেৱাই, হালোৱা আদি সুস্বাদু খাদ্য সম্ভাৰ প্ৰস্তুত কৰে আৰু আলহী অতিথিৰ আপ্যায়নত ব্যস্ত থাকে। তাৰ পিচত ইমাম চাহাবে চমু ভাষণ ঈদ সম্পৰ্কে ভাষণ দিয়ে আৰু শেষত বিশ্ব শান্তিৰ কাৰণে, দেশৰ দহৰ কাৰণে, মৃত সকলৰ বাবে, আল্লাহৰ ওচৰত দুহাত তুলি দোৱা প্ৰাৰ্থনা কৰে।

ভোগ নহয় ত্যাগেই মানৱ জীৱনক মহিয়ান কৰে, নীতি বৈষম্যৰে নহয়, একতাৰ সংহতিৰ দোলেৰে সকলোকে আকোঁৱালি ল'ব পাৰিলেহে ঈদ পালনৰ সাৰ্থক হয়। ইছলামী জীৱন ব্যৱস্থাৰ আইন হৈছে কোৰাণ আৰু হাদিছ। কোৰণ হৈছে আল্লাহৰ বাণী আৰু হাদিছ ইছলাম ধৰ্মৰ প্ৰচাৰক তথা শেষ নবী পয়গম্বৰ হজৰত মহম্মদ (ছ:)ৰ বাণী তথা তেখেতে দেখুৱাই যোৱা আদৰ্শ সমূহ।

ইছলাম ধৰ্মটি পাঁচটা স্তম্ভ বা ভেটিৰ ওপৰত প্ৰতিষ্ঠিত। সেয়া হ'ল- কলিমা, নামাজ, ৰোজা, হজ্জ আৰু জাকাত। কলিমা- এক আল্লাহক বিশ্বাস কৰা, নামাজ- দৈনিক পাঁচবাৰ উপাসনা কৰা, ৰোজা- ৰমজান মাহত এমাহ উপবাস থকা, হজ্ব -ধনী ব্যক্তি সকলে মক্কা মদিনাত গৈ প্ৰায় ডেৰ মাহ কাল কঠোৰ কষ্ট- সাধনাৰদ্বাৰা উপাসনা কৰি সম্মানীয় হাজী উপাধি লৈ আহা লগতে ধনী ব্যক্তি সকলে জীৱনকালত এবাৰ হ'লেও হজ্বব্ৰত কৰাতো বাধ্যতামূলক। আৰু জাকাত অৰ্থাৎ ধনী ব্যক্তিৰ ওপৰত গৰিবৰ অধিকাৰ। ঈদুল ফিতৰৰ লগত জাকাত আৰু ফিতৰাৰ অত:প্ৰোত সম্পৰ্ক বিদ্যমান। জাকাত-ধনী ব্যক্তি সকলে নিজৰ সাঁচতীয়া ধনৰ শতকৰা আঢ়ৈ শতাংশ অথবা ১/৪০ ভাগ দিব লাগে। যদিহে ধনী ব্যক্তিয়ে ইয়াক পৰিশোধ নকৰে, তেন্তে ইছলামৰ দৃষ্টিত ই গুনাহগাৰ বা পাপী বুলি স্বীকৃত হ'ব। কাৰণ সমাজৰ গৰিব দুখীয়াৰ বাবে এই দান প্ৰযোজ্য আৰু প্ৰাপ্য। যি ব্যক্তি এইবোৰ পালন নকৰে, তেওঁক মুনাফিক অৰ্থাৎ অবিশ্বাসী পাপী বুলি কোৱা হয়। এজন প্ৰকৃত ইছলাম ধৰ্মী লোকে কলিমা অৰ্থাৎ আল্লাহৰ একত্বক বিশ্বাস কৰে আৰু হজৰত মহম্মদক (ছঃ) সৰ্বশেষ নবী হিচাপে বিশ্বাস কৰে।

নামাজৰ পিছত ৰোজা অন্যতম গুৰুত্বপূৰ্ণ এবাদত বা প্ৰাৰ্থনা। ইছলামী ধৰ্মগ্ৰন্থ পৱিত্ৰ কোৰআনত উল্লেখ আছে, "হে বিশ্বাসীকাৰীসকল, তোমালোকৰ ওপৰত ৰোজা 'ফৰজ' অৰ্থাৎ বাধ্যতামূলক কৰা আছে, যেনেকৈ তোমালোকৰ পূৰ্ব্ৱৰ্তী সকলৰ ওপৰতো আৰোপ কৰা হৈছিল, যাতে তোমালোকে মুত্তাকী বা সৎ ব্যক্তি হোৱা।" ইছলামৰ অন্যান্য উপাসনাৰ দৰে, ৰোজাব্ৰতে কিছুমান বৈপ্লৱিক পৰিৱৰ্তন আনে। ইয়াৰ প্ৰভাৱ সমাজৰ সকলো স্তৰতে স্পষ্ট। ইয়াৰ আটাইতকৈ গুৰুত্বপূৰ্ণ সংস্কাৰ হৈছে আত্মত্যাগৰ ধাৰণাগত পৰিৱৰ্তন। এটা সময়ত ইহুদীসকলৰ বাবে ৰোজা দুখ আৰু বিষাদৰ প্ৰতীক ছিল। কিন্তু ইছলামে এই ভুল ধাৰণা গ্ৰহণ কৰা নাই। ইছলামৰ দৃষ্টিত আত্মত্যাগ হৈছে এবিধ বিশ্বজনীন ইবাদত (উপাসনা), যি ব্ৰত পালন কৰা সকলৰ মন- মগজুক উন্নীত কৰে, হৃদয় আৰু চিন্তাক পৱিত্ৰ কৰে। এই আত্মত্যাগৰ জৰিয়তে, ৰোজাদাৰে অৰ্থাৎ উপবাসকাৰীয়ে এক অতিমানৱীয় অনুভৱ আৰু অনুপ্ৰেৰণা লাভ কৰে। মুহূৰ্ততে তেওঁ শাৰীৰিক সুখৰ প্ৰতি বিতৃষ্ণ হ'ব পাৰে আৰু আত্মবিশ্বাসত দৃঢ় হ'ব পাৰে। পৱিত্ৰ কোৰাণৰ পিছতে ইছলামী ধৰ্মগ্ৰন্থ হাদিছত উল্লেখ আছে, " আত্মত্যাগ কেৱল আল্লাহৰ বাবে আৰু ইয়াৰ প্ৰতিদান নিজেই দিব" ।পূৰ্ব্ৱৰ্তী সকলো ধৰ্মত সূৰ্য বৰ্ষ অনুসৰি ৰোজা পালন কৰা হৈছিল। কিন্তু ইছলামে সূৰ্যবৰ্ষৰ পৰিৱৰ্তে চান্দ্ৰবৰ্ষ অনুসৰি ৰোজাব্ৰত পালন কৰে। জোন দেখি ৰোজাব্ৰত আৰম্ভ কৰা, আৰু জোন দেখি ইয়াৰ সমাপ্তি কৰা- (তিৰমিজী চৰিফ)। চান্দ্ৰমাহৰ লগত ৰোজা জড়িত থকাৰ ফলত পৃথিৱীৰ যিকোনো ঠাইত সহজে ৰোজা পালন কৰিব পাৰি। চান্দ্ৰবৰ্ষ অনুসৰি ৰমজান মাহ কেতিয়াবা গ্ৰীষ্মত, কেতিয়াবা শীতত, আৰু কেতিয়াবা বসন্তত আহে। এই ঋতু পৰিৱৰ্তনে ৰোজাদাৰৰ বাবে এক নতুনত্বৰ সোৱাদ অনুভৱ কৰে। সেয়েহে ইছলাম ধৰ্মৰ প্ৰচাৰক পয়গম্বৰ হজৰত মহম্মদ (ছাঃ)এ দেখুৱাই যোৱা আৰ্হি গুৰুত্ব বুজি লোৱাটো অত্যন্ত প্ৰয়োজনীয়।

ইছলাম মানেই শান্তি। ঈদ মহামিলনৰ উৎসৱ। বিশ্ব ভ্ৰাতৃত্বৰ উৎসৱ। অন্যান্য ধৰ্মৰ নিচিনা ইছলামো হৈছে এক সামগ্ৰিক ধৰ্ম, যি মানুহ আৰু প্ৰকৃতিৰ সৈতে সামঞ্জস্যতা বজাই ৰাখে। আধুনিক বিজ্ঞানেও ইছলামী শিষ্টাচাৰৰ বাস্তৱতা আৰু প্ৰয়োজনীয়তা স্বীকাৰ কৰিছে। বিজ্ঞানে ইছলামী শৃংখলাক ভুল বুলি কেতিয়াও নকয়। কোৰাণৰ সৌৰজগত সম্পৰ্কীয় বক্তব্য সমূহৰদ্বাৰা এটি এটিকৈ প্ৰমাণিত হৈছে, যদিও এইবোৰ আজিৰ পৰা প্ৰায় চাৰে চৈধ্যশ বছৰ পূৰ্বৰ সতৰ্কবাণী।

ৰোজাই ইচ্ছাশক্তিৰ ওপৰত নিয়ন্ত্ৰণ স্থাপন কৰে। বাহ্যিক প্ৰভাৱসমূহ দমন কৰে, আৰু চৰিত্ৰক পৱিত্ৰ কৰে। কাৰণ উপবাস আৰু তৃষ্ণাই মানুহৰ জীৱ-জন্তু সদৃশ প্ৰৱণতাসমূহ দুৰ্বল কৰে, মানৱতা জাগ্ৰত কৰে, আৰু হৃদয়ত আনন্দ আনে। চিকিৎসা বিজ্ঞানেও ইছলামী জীৱনশৈলীৰ শাৰীৰিক নিয়মসমূহক উপকাৰী বুলি ঘোষণা কৰিছে। বহুতো চিকিৎসকে বিশ্বাস কৰে যে, বছৰি এজন ব্যক্তিয়ে এটা মাহ উপবাস থাকিলে তেঁওৰ স্বাস্থ্যৰ অকল উপকাৰহে নহয়, বৰঞ্চ অনাৱশ্যক ভাৱে শৰীৰত জমা হৈ থকা মেদ বা চৰ্বিবোৰ আঁতৰ হয়। চিকিৎসকৰ মতে, ৰোজাই শৰীৰৰ প্ৰতিৰোধ ক্ষমতা বৃদ্ধি কৰে আৰু হজম প্ৰণালীৰ উন্নতি কৰে। আমাৰ ভোজনত থকা মাংস, প্ৰ'টিন, আৰু চৰ্বিযুক্ত পদাৰ্থ দেহত হজম হৈ গ্লুক'জ ৰূপে যকৃতত সংৰক্ষিত হয়। দৈনন্দিন দেহৰ শাৰীৰিক শক্তি বজাই ৰাখিবলৈ কিছু গ্লুক'জ ৰক্তপ্ৰবাহত মুক্ত হয়, আৰু বাকীটো যকৃত আৰু মাংসপেশীত গ্লাইক'জেন ৰূপে জমা থাকে। কিছুমান চৰ্বি জমাহৈ দেহৰ তলত সংৰক্ষিত হয়। ৰোজাৰ সময়ত এই সংগৃহীত গ্লুক'জ আৰু চৰ্বি পুনৰ গ্লুক'জত পৰিণত হয় আৰু দেহত শক্তি যোগায়। ফলত শৰীৰত অতিৰিক্ত চৰ্বি জমা নহয়, স্থূলতা হ্ৰাস পায়, আৰু শৰীৰ সুগঠিত হয়। প্ৰখ্যাত ইংৰাজী কোৰাণ অনুবাদক মাৰ্মাডিউক উইলিয়াম পিকথলে কৈছিল যে, উচ্চ সভ্যতাৰ যুগতো ৰোজাৰ উপকাৰিতা নিঃসন্দেহে অন্যতম শ্ৰেষ্ঠ মহৌষধ। চিকিৎসাবিজ্ঞানী ডাঃ আৰ. কেছফৰ্ডৰ মতে, "ৰোজা এক উৎকৃষ্ট হজম প্ৰণালীৰ সহায়ক"। ডাঃ ডি. এফ. ফৰ্টৰ মতে, "ৰোজা বা। উপবাস হৈছে আত্মসংযম আৰু আত্মশুদ্ধিৰ অন্যতম উপায়, যাৰ জৰিয়তে মানুহ সৃষ্টিকৰ্তাৰ নিকট লাভ কৰে, স্বাস্থ্য অটুট ৰাখে, হিংসা-বিদ্বেষ দূৰ কৰে"। ডাঃ ডি. ডব্লিউ. ই. এ.-ৰ মতে, "ৰোজাই গেছট্ৰিক আলচাৰ, যকৃত প্ৰসাৰণ, মূত্ৰথলীৰ সমস্যা, নিউমোনিয়া, চৰ্দি-জ্বৰ আদি ৰোগ নিৰাময় কৰে"।

ঈদ-উল-ফিতৰ ৰমজানৰ ৰোজাৰ লগত জড়িত এক উৎসৱ। ইছলাম ধৰ্মী লোক সকলে এই মাহত যথেষ্ট পৰিমাণে জাকাত ফিতৰা আদি দুখীয়াক দান কৰে বাবে এই ঈদক ঈদুল ফিতৰ বা দানৰ উৎসৱ বুলি কোৱা হয়। হিন্দু ধৰ্মতো কোৱা আছে যে 'দানৰ মাধ্যমেদি ধ্যানৰ শুদ্ধি হয়'। ইছলাম ধৰ্মত ধনী সকলে দান কেনেকৈ দিব লাগে সেয়া ধৰ্ম গ্ৰন্থ কোৰাণ আৰু হাদিচত স্পষ্টকৈ বৰ্ণনা কৰা আছে।

ঈদ ৰোজাৰ বাবে গুৰুত্বপূৰ্ণ। ঈদ হৈছে সাম্য, মৈত্ৰী, বন্ধুত্ব, সহিষ্ণুতা, মিলন আৰু সম্প্ৰীতিৰ বাৰ্তা বাহক উৎসৱ। ঈদ মানে কেৱল আনন্দ উৎসৱেই নহয়, ঈদে ভ্ৰাতৃত্ব আৰু আত্মত্যাগৰ পৱিত্ৰ শিক্ষা দিয়ে। ইছলামী জীৱন বিধানত সকলোৱে সমান অধিকাৰ সাব্যস্ত কৰিব পাৰে। ধনী- দুখীয়া, কলা বগাৰ ইয়াত কোনো ভেদ নাই, স্থান নাই প্ৰতিবছৰে ঈদ আহে সমধিকাৰৰ বাৰ্তা দিবলৈ। সেয়েহে, এক মহৎ আত্মত্যাগৰ পিছত ঈদ- উল- ফিতৰ আহে। এই উৎসৱৰ নামাজত ধনী-দুখীয়া, উচ্চ-নীচ সকলোৱে অংশগ্ৰহণ কৰে। দুখীয়া বা ভৃত্য জনো নিজৰ মালিকৰ লগত একেটা শাৰীতে নামাজত অংশ গ্ৰহণ কৰে। নামাজৰ অন্তত কোনো ভেদভাৱ নাৰাখি ইজনে সিজনক আলিংগন কৰে আৰু পূৰ্বৰ হিংসা বিদ্বেষ পৰিহাৰ কৰি এখন পৱিত্ৰ অন্তৰৰ পৰিচয় দিয়ে। ভাৰতৰ দৰে মিশ্ৰ সংস্কৃতিৰ দেশত ইছলামৰ লগতে অন্যান্য ধৰ্মৰ লোকেও একেলগে এই উৎসৱ উদযাপনত সহযোগিতা কৰে। ঈদৰ দিনা ধনী দুখীয়া সকলোৱে ই-ঘৰ সি-ঘৰলৈ গৈ ঈদৰ শুভেচ্ছা বিনিময় কৰে, ঈদ মোবাৰক জনায়। হিন্দু মুছমানৰ এই সম্পৰ্ক সাতাম পুৰুষীয়া। জাত পাতৰ কোনো পৰিচয় নাই এই সম্প্ৰীতি সমন্বয়ত। ঠিক তেনেকৈ ৰোজা ভঙ্গ বা ইফতাৰীৰ সময়তো হিন্দু মুছলিম শিখ ইছাই সকলোৱে একেলগে মিলিত হৈ ইফতাৰ কৰি আন এক সমন্বয়ৰ বাৰ্তা প্ৰেৰণ কৰে।

ইছলামী সমাজত ৰমজান মাহত জাকাত আৰু দান-দক্ষিনা পৰিমাণ বৃদ্ধি পায়। সম্প্ৰীতি বজাই ৰাখিবলৈ হিন্দু-মুছলমান সকলোৱে একেলগে বিহু-পূজাত অংশগ্ৰহণ কৰাৰ দৰে ঈদৰ দৰে উৎসৱতো অংশ গ্ৰহণ কৰি সম্প্ৰীতিৰ যুগমীয়া বাৰ্তা প্ৰেৰণ কৰে। মইবৰ মনোভাৱ পৰিহাৰ কৰি ইজনে সিজনক আপোন ভাবেৰে আঁকোৱালি লয় অসমত সম্প্ৰীতিৰ বহু উদাহৰণ আছে। কবৰস্থান বা সমাধিক্ষেত্ৰৰ বাবে হিন্দুসকলে ভূমি দান কৰে, মন্দিৰ-নামঘৰ বা অন্যান্য অনুষ্ঠানৰ বাবে মুছলমানসকলে ভূমি দান কৰিছে। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে জাতি-ধৰ্ম বৰ্ণ বাচ-বিচাৰ নকৰাকৈ পঢ়ে, একেলগে খেলা-ধুলা কৰে। হাস্পতালবোৰত দেখা যায় হিন্দু মুছলিম উভয়ে তেজ দান দিয়ে মুমূৰ্ষুজনক জীয়াই তোলে। তথাপি, সমাজত কিছুমান সংকীৰ্ণ উগ্ৰ চিন্তাধাৰা থকা মানুহে এই সম্প্ৰীতি বিনষ্ট কৰিবলৈ চেষ্টা কৰি থাকে। চন্দ্ৰ সূৰ্যক আজি বিজ্ঞানে হাতৰ মুঠিত ব্যৱহাৰ কৰিছে, কিন্তু কাষতে থকা জনক আমি আপোন কৰি ল'ব পৰা নাই। এয়া আমাৰে দুৰ্ভাগ্য।

ইছলামধৰ্মী লোকসকলে বছৰৰ দুটি ঈদক সাৰ্বজনীন উৎসৱ হিচাপেপালন কৰে। সেয়া হৈছে 'ঈদুল ফিতৰ' আৰু 'ঈদুজ্জোহা'। ঈদুল ফিতৰ ভিতৰত দীৰ্ঘ এমাহ সূৰ্যদোয়ৰ পৰা সূৰ্যাস্তলৈ ক্ৰমাগত উপবাসব্ৰত পালন কৰে। ইছলামী তিথি অনুযায়ী ৰমজান মাহত ইছলাম ধৰ্মী লোকসকলে এই ৰোজাব্ৰত পালন কৰে। এমাহ এই ব্ৰত পালন কৰাৰ পিচত ঈদুল ফিতৰ অৰ্থাৎ অনাবিল আনন্দৰ উৎসৱ ঈদ পালন কৰে। ( চৈধ্য পৃষ্ঠাত চাওক)

# ফাগুনৰ শেষৰ জাক বৰষুণ



**ৰিমী হাজৰিকা, মাজুলী**

আবেলিৰ ৰাংঢালী বেলি ডুবাৰ প্ৰাকঞ্জ ক্ষণত মীৰাই প্ৰায় লুইতৰ পাৰতে বহি এই মনোৰম প্ৰাকৃতিক সৌন্দৰ্য্যঞ্জ্য উপভোগ কৰে। এতিয়াঞ্জ যে ফাগুন মাহ, নৈ কাষৰ ফিৰঞ্জ ফিৰিয়া বতাহ জাক যেন তাইৰ অনন্ত লগৰী । ফাগুনৰ পছোৱা জাকে তাকেই যেন জোকাই যায়, জোকাই যায় তাইৰ গাভৰু যৌৱন।

সন্ধিয়া কালত তাই প্ৰায়ে নৈ কাষলৈ আহে, নৈ পাৰতে বৈ তাই সুখ দুখৰ কথা পাতে, মনৰ কথা কয় আৰু জনায় তাইৰ মনৰ আক্ষেপ । নৈ খনেও যেন তাইৰ সকলো কথাৰ শলাগ লয়, কুলকুল ধ্বনি ৰে সমৰ্থন কৰে তাইৰ সকলো কথা।

সেইদিনা আবেলি নৈৰ পাৰত বহি তাই কৈছিল তাইৰ মনৰ আক্ষেপ। তাইৰ উপলব্ধি কৰিছিল ইমান সহজ জানো ফাগুন হোৱাটো। সৰিপৰা পাত খিলাই হয়তো জানে বিচ্ছেদৰ বিৰহ কিমানহু সৰাপাত বুকুত সামৰি শত সহস্ৰ ডেকা গাভৰু ৰঙীন কৰি তোলা ফাগুনে হয়তো জানে বিৰহৰ বেদনা কিমানহু

এৰাহু আজি মীৰাৰ জীৱনো হয়তো এখিলা সৰাপাতৰ দৰে, যি বুকুত এখন শ্মশান কঢ়িয়াই ও ৰঙীন কৰি ৰাখে আত্মীয়- কুটুম ক, ৰঙীন কৰি ৰাখে নিজৰ চৌপাশ । হয়, এখন নোখোলা কিতাপৰ দৰেই নিজক আবদ্ধ কৰি ৰাখিছে মীৰাই। বহুতে বহু কটু সমালোচনা কৰে যদিও কোনোদিনে আনক নিজৰ বিষয়ে জানিবলৈ নিদিয়ে তাই।এয়া যেন তাইৰ দৃঢ় প্ৰতিজ্ঞা।


আজি ফাগুনৰ সেই শেষৰ টো দিন, যিটো দিনত স্তব্ধ হৈ গৈছিল মীৰাৰ জীৱন, শেষ হৈ গৈছিল সকলো আশা, ম্লান হৈ পৰিছিল এটি কিশোৰীৰ জীৱন ভৰষা, য'ত নেকি মীৰাই সৰ্বস্বান্ত অনুভৱ কৰিছিল। সেইদিনা আছিল শনিবাৰ, আজিৰ দৰে মীৰাই সেইদিনা ও আহিছিল নৈ পাৰলৈ গাঁৱৰ ছোৱালী কেইজনীৰ লগত । নানান কল্পনা আৰু বাস্তৱৰ সংমিঞ্জ ণ ত গঢ়ি তুলিছিল তাইৰ আশা - ভৰষাৰ ভৰিষ্যতৰ সপোন। কিন্তু ঘৰৰ পৰা হঠাৎ অহা এটা খবৰত স্তব্ধ হৈ পৰিছিল তাই।

ঘৰৰ ওচৰৰ ৰুণজুণ ভনীয়েকে খবৰ দিছিল তাইক আৰু দৌৰি দৌৰি ঘৰলৈ আহিছিল মীৰা।ঘৰৰ সন্মুখত মানুহে চোতাল ভৰি আছিল আৰু তাৰ মাজতে ই নিঠৰ হৈ পৰি আছিল মীৰাৰ একমাত্ৰ ভৰষা তাইৰ মাক-দেউতাক, মৰমৰ ভায়েক ৰুবুল। মীৰাৰ জন্মদিনৰ আয়োজন কৰা উদ্দেশ্যে বজাৰ কৰিবলৈ যোৱা মাক দেউতাক আৰু ভায়েকঞ্জ এক দুৰ্ঘটনাত মৃত্যু হয়।নিস্তব্ধ হৈ পৰিছিল মীৰা, শোক দুখত ভাগি পৰিছিল তাই । শেষ হৈ গৈছিল সকলো আশা, সকলো ভৰষা । তাইৰ মাক-দেউতাক আৰু মৰমৰ ভায়েক ৰ মৃত্যুত কি বুলি সানঞ্জত্বনা লভিব তাই।শোকত ভাগি পৰি মীৰাই কান্দি কান্দি ভাগৰি পৰিছিল, অচেতন হৈ পৰিছিল নিঠৰ দেহ কেইটাৰ কাষত।

আজি সম্পূৰ্ণ দহ বছৰৰ পাছত তাই নৈ পাৰত বহি উভতি গৈছিল সেই মৰ্মান্তিক অতীতলৈ । য'ত লুকাই আছিল কলিতে মৰহি যোৱা এটি সপোন। অতীতৰ কথা মনত পেলাই, সৰাপাতৰ বিৰহ বেদনা অনুভৱ কৰি কান্দি উঠিছিল তাই। এনেতে এটোপ দুটোপ কৈ বৰষুণ পৰিছিল, দুই এবাৰ মেঘেও গাজিছিল ।এনেদৰেই আহিছিল এজাক মুষলধাৰ বৰষুণ, যি জাকে ধুই গৈছিল মীৰাৰ নষ্ট অতীত।এৰা, এইজাকেই আছিল ফাগুনৰ শেষৰ জাক বৰষুণ।।

# সৰাপাতৰ ঠিকনা বিচাৰি

**ৰুক্মিণী দাস, শ্ৰীহাটী**



সৰাপাতৰ ঠিকনাত
ভাহি আহে
তেজৰঙী এটি মিঠা ভাৱনা
নিৰৱতাটো বতাহে
দিয়েহি
আহি যেন প্ৰেমৰ ঠিকনা ।।
স্মৃতিৰ সঁফুৰা বোৰ
বুকুত নীৰৱে থৈ
ফাগুনৰ জুই ফুল বোৰ
আলফুলে দিম চটিয়াই
ফাগুন অহাৰ বাটে বাটে
মইও যাম কিজানি সেই বাটেৰেই ।
সৰাপাতে দিয়ে
পদুলি পদুলি
ব'হাগৰ চিঠি বোৰ
কাৰণ ব'হাগ যে আমাৰ
অতি আদৰৰ অতি হেঁপাহৰ অতিকৈ প্ৰাণৰ ।

# আই

**মীনাক্ষী গোস্বামী**



আইৰ শেতেলিৰ কাষত বহি
আছোঁ-
নিশব্দ বতাহত ধীৰে ধীৰে
বাজে সময়ৰ সুৰ।
বয়সে গৰকা এইজনী আই,
দেহত ক্লান্তিৰ ছাঁ,
কিন্তু মনত এতিয়াও জাগে
জীৱনৰ দীপশিখা।
বিধ্বস্ত মন-মগজুৰ মাজেৰে
অলেখ কাহিনীয়ে অগা দেৱা
কৰে
স্মৃতিৰ ঢৌবোৰে
তেওঁক মাতি লৈ যায় দূৰ
দিগন্তলৈ।
কোনে যেন কৈছিল-বয়স
মাথোঁ এটা সংখ্যা,
সঁচাকৈয়ে, ই এক আচৰিত
মায়া।
নব্বৈ অতিক্ৰম কৰা মোৰ
আই-
তেওঁৰ দিনবোৰ এতিয়াও
ব্যস্ততাৰে ভৰা,
যেন সময়েও তেওঁক ধৰি
ৰাখিব নোৱাৰে।
ইটোৰ পিছত সিটো চিন্তা,
ঘৰুৱা জটিলতাৰ মাজত
সমাধানৰ সন্ধান-
পুৰনি অভ্যাসটো এতিয়াও ৰৈ
গ'ল,
জীৱনৰ লগত একাত্ম হৈ ।
দেহ এতিয়া ক্লান্ত
কিন্তু মন উৰণীয়া,
বাৰে বাৰে উভতি যাব খোজে,
সেই দিন বোৰলৈ,
য'ত তেওঁ আছিল এখন ঘৰৰ
এটা কঠিন স্তম্ভ।
এই মুহূৰ্ত বোৰে যেন
মোক শিকাই যায়
"জীৱনএখন দীঘলীয়া
উপন্যাস,
যাক লিখা হয়
ত্যাগৰ আখৰেৰে,
দায়িত্বৰ ৰঙেৰে,
আৰু অশেষ মৰমৰ সুগন্ধেৰে"।

# বিশ্ব ভাতৃত্ব স্থাপনত

ঈদ মানে খুচি-আনন্দ। উল্লেখযোগ্য যে সমগ্ৰ বিশ্বত থকা ইছলাম ধৰ্মী লোকসকল এই ৰোজাব্ৰত পালন কৰে। ধনী দুখীয়া সকলোৱে ইছলামৰ নিৰ্দেশ অনুসৰি এমাহ ৰোজা বা উপবাস থাকিব লাগে। ইয়াত কোনধৰণৰ ওজৰ আপত্তি থাকিব নোৱাৰে। এমাহ ব্ৰত পালনৰ মাধ্যমেদি শৰীৰত এক নৱ চেতনাৰ উন্মেষ ঘটে। প্ৰচণ্ড গৰমতো যেতিয়া অণ্ঠ-কণ্ঠ শুকাই যায়, তৃষ্ণাত কাতৰ হয়, তেতিয়াও নিজকে সংযত কৰি সকলো ৰকমৰ আহাৰ পানীয়ৰ পৰা বিৰত থাকে। এই কৃচ্ছ সাধনাৰ মাধ্যমেদি ক্ষুধা আৰু তৃষ্ণাত কাতৰেহে এজন মানুহৰ শৰীৰ আৰু মনত যি ধৰণৰ চেতনা জাগ্ৰত হয় সেয়া বোধহয় উল্লেখযোগ্য দিশ। ঘৰত প্ৰচুৰ পৰিমাণৰ নানা ধৰণৰ খাদ্যসম্ভাৰ, ফলমূল বা সুস্বাদু পানীয় থকা সত্বেও তথাপিও এবাৰ মুখত দিব নোৱাৰে, এয়াই সংযম-ধৈৰ্য। অৰ্থাৎ লোভ লালসাক সংযত কৰিবলৈ বাধ্য। লোভ মোহ এৰিব পাৰিলেই মানুহ সৎ ব্যক্তি ৰূপে পৰিচিত লাভ কৰে। ইয়াৰ অৰ্থ এয়ে যে নিজৰ হাতত প্ৰচুৰ পৰিমাণৰ খাদ্য সম্ভাৰ থাকে, কিন্তু একমাত্ৰ আল্লাহক ভয় কৰিয়েই কোনো বস্তু মনে মনে হ'লেও গ্ৰহণ কৰিব নোৱাৰে। দুখীয়া সকলে এসাঁজ নেখাই ভোকে লঘোনে ৰাতি উজাগৰে থাকিলে কিমান মৰ্ম বেদনা উপলব্ধি কৰিব লাগে সেয়া ভুক্তভোগী জনেহে উপবাস থাকিলে উপলব্ধি কৰিব পাৰে, মন মানসিকতাক অনুভৱ কৰিব পাৰে। সেয়েহে ঈদৰ নামাজৰ পূৰ্বে সঞ্চিত ধনৰ এটা অংশ অৰ্থাৎ জাকাতৰ ধনৰ পৰা শতকৰা আঢ়ৈভাগ আৰু ফিতৰাৰ বাবদ গাইপতি ১, ৬৩৩ গ্ৰাম ঘেঁহু- আটা বা ইয়াৰ সমমূল্য দুখীয়াক দিয়াৰ পিছতহে ঈদগাহলৈ যাবলৈ কৈছে। অৰ্থাৎ ধনীৰ সম্পদৰ ওপৰতো দুখীয়াৰো যে হক্ক বা অধিকাৰ আছে সেয়া কোৰান হাদিছত লিখা আছে। আনকি যি সকলে ৰোজাব্ৰত পালন নকৰে, জাকাত-ফিতৰা আদি বাধ্যতামূলক দান পৰিশোধ নকৰে তেওঁলোকে ঈদ পালন কৰাৰ সাৰ্থকতা সম্ভৱ নহয় বুলিও কোৱা আছে। ঈদৰ মাধ্যমেদি যি ত্যাগ আৰু সংযম আৰু দানৰ কথা কোৱা আছে সেয়া পালন কৰিলে সঁচাঅৰ্থত পৃথিৱীখন অন্য ৰকম যে হৈ উঠিব সেয়া নিঃসন্দেহে কব পাৰি। সেয়েহে, পবিত্ৰ ঈদ কেৱল ই এটি ধৰ্মীয় উৎসৱ নহয়, ই একতা আৰু ভ্ৰাতৃত্বৰ সেঁতু।

আকৌ কৈছোঁ ঈদ মানে আনন্দ, খুচি। এই ঈদৰ আনন্দ-ত্যাগৰ বাণী দেশে দেশে, প্ৰান্তে প্ৰান্তে, চুবুৰীয়ে চুবুৰীয়ে ভাঁহি যাওঁক। শান্তি সম্প্ৰীতি ভাতৃত্বৰ এনাজৰী ডাল আকৌ অধিক সুদৃঢ় হওঁক তাৰেই কামনা কৰিলোঁ। ঈদ মোবাৰক।।